**বিহালী, চামগুৰিত প্ৰাৰ্থী ঘোষণা আপৰ**
**ই-সংবাদ, ২৪ অক্টোবৰঃ** আম আদমী পাৰ্টীয়ে আজি ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া ৫টা ২ পৃষ্ঠাত চাওক

www.newsnextone.com
ই সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, OCTOBER 25, 2024 ■ শুকুৰবাৰ, ৮ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯১ Guwahati, Assam ।। মূল্যঃ এটকা

## স্পষ্ট ভূপেন-গৌৰৱৰ সংঘাত ■ টিকট লৈয়েই কংগ্ৰেছত যোগদান জয়ন্তৰ

# ‘লিলি’ত এনেই লিলিমাই! বিৰোধী ঐক্যত ‘কংগ্ৰেছ’ নাই



**ই-সংবাদ বিশেষ, ২৪ অক্টোবৰঃ সদ্য সমাপ্ত লোকসভা নিৰ্বাচনৰ পূৰ্বে ২০২৩ চনৰ মাজভাগত কংগ্ৰেছ, অসম জাতীয় পৰিষদ, ৰাইজৰ দলকে আদি কৰি কেবাটাও দলে বিজেপিক পৰাভূত কৰাৰ লক্ষ্যৰে সন্মিলিতভাৱে** শেষাংশ ৩ পৃষ্ঠাত

## সৰ্বোচ্চ ন্যায়ালয়ৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হ'ব সঞ্জীৱ খান্না



**নতুন দিল্লী, ২৪ অক্টোবৰঃ** দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হ'ব ন্যায়াধীশ সঞ্জীৱ খান্না। টুইটযোগে আজি এই ঘোষণা কৰিছে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী ৬ পৃষ্ঠাত চাওক

## বিশিষ্ট বিজ্ঞানী ড০ গৌৰাংগৰ দেহাৱসান

### ভিন্নজনৰ শোক প্ৰকাশ

**ই-সংবাদ, ডুমডুমা, ২৪ অক্টোবৰঃ** দেশৰ এগৰাকী বিশিষ্ট গৱেষক তথা প্ৰথিতযশা বিজ্ঞানী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শেষাংশ ৬ পৃষ্ঠাত



আগেভাগে টিকট লৈ গৌৰৱ গগৈৰ উপস্থিতিতি কংগ্ৰেছত যোগদান জয়ন্তৰ

## কংগ্ৰেছে মাটিৰ দালালক টিকট দিছেঃ অখিল

**ই-সংবাদ, ২৪ অক্টোবৰঃ** ‘অসম’ত এঘৰীয়া হ'ল অসম প্ৰদেশ কংগ্ৰেছ। যি অসম গঠনত কংগ্ৰেছে সক্ৰিয় ভূমিকা লৈছিল সেই অসমৰ পৰাই শেষাংশ ৫ পৃষ্ঠাত

### ‘ফলাফল দেখা যাব, আগতে কষ্ট কৰিম’


## গৌৰৱৰ কথা! পুনৰাই সন্মিলিত মৰ্চাৰ নেতাসকল একত্ৰিত হোৱাৰ আশা

**ই-সংবাদ, ২৪ অক্টোবৰঃ** যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে অসম সন্মিলিত মৰ্চাৰ দলসমূহে সৰৱ হৈ থকাৰ সময়তে আজি জয়ন্ত বৰুৱাক কংগ্ৰেছ দলত যোগদান কৰায়। বুধবাৰে নিশা জয়ন্ত বৰাক প্ৰাৰ্থিত্ব দিয়াৰ ঘোষণা কৰিছিল সৰ্বভাৰতীয় কংগ্ৰেছে। কংগ্ৰেছৰ সাধাৰণ সদস্য নোহোৱাকৈ বিহালী সমষ্টিত টিকট প্ৰদান কৰা শেষাংশ ৫ পৃষ্ঠাত

## ভাবুকিত স্তব্ধ বিমান যাত্ৰা

**মুম্বাই, ২৪ অক্টোবৰঃ** ইখনৰ পিছত সিখন ভাৰতীয় বিমানত বিস্ফোৰণৰ ভাবুকিক লৈ উদ্বিগ্ন হৈ পৰিছে কেন্দ্ৰীয় চৰকাৰ। বিগত প্ৰায় দহ দিনৰ পৰা একাধিক বিমান সংস্থাই লাভ কৰা বিস্ফোৰণৰ ভাবুকি অব্যাহত আছে বৃহস্পতিবাৰৰ দিনটোতো। প্ৰাপ্ত খবৰ অনুযায়ী, বৃহস্পতিবাৰে এয়াৰ ইণ্ডিয়া, ভিষ্টাৰা, শেষাংশ ২ পৃষ্ঠাত

## বেংকক ভ্ৰমণ! ডিম্পুক এজেন্সীয়ে দিলে ৰামঠগন



**ই-সংবাদ, ২৪ অক্টোবৰঃ** ৰাজ্যত টুৰিষ্ট পেকেজৰ নামত একাধিক ট্ৰেভেল এজেন্সীয়ে সৰ্বসাধাৰণক শেষাংশ ৬ পৃষ্ঠাত

## ৰাইজৰ দল-এজেপিক এনজিঅ’ আখ্যা মাৰ্ঘেৰিটাৰ

**ই-সংবাদ, ২৪ অক্টোবৰঃ** বিহালীত কংগ্ৰেছে নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণাৰ পাছতে লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ে কংগ্ৰেছক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লৈছে। শেষাংশ ৩ পৃষ্ঠাত

## ঘূৰ্ণী ডেনাৰ কালৰূপ

**কলকাতা, ২৪ অক্টোবৰঃ** মহাদেশীয় ঘূৰ্ণী ডেনাৰ গ্ৰাসত পৰিছে পশ্চিমবংগ, ওড়িশা। ১২০ কিলোমিটাৰ বেগেৰে এই দুই ৰাজ্যৰ উপকূলত খুন্দা মাৰিবলৈ উদ্যত হোৱা ডেনাৰ শেষাংশ ২ পৃষ্ঠাত

## চামগুৰিত সাংবাদিকক আক্ৰমণ বিজেপি কৰ্মীৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৪ অক্টোবৰঃ** পুনৰ উত্তপ্ত হৈ পৰিছে নগাঁও জিলাৰ চামগুৰি। বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা আৰু কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ সমৰ্থকৰ



প্ৰতিবাদী সাংবাদিকক হাতযোৰ মন্ত্ৰী পীয়ূষৰ

মাজত হতাহতিৰ ঘটনাই আজি পুনৰ চামগুৰি উত্তপ্ত কৰি তোলে। ৰাজনৈতিক দলৰ সমৰ্থকৰ এই সংঘৰ্ষত আনকি ছয় জনৰো অধিক সংবাদ মাধ্যমৰ শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাবুকিত স্তব্ধ বিমান যাত্ৰা

ইণ্ডিগ', স্পাইচজেট, এলায়েন্স এয়াৰ আৰু আকাছা বিমান সংস্থাৰ কমেও ৯৫ খন বিমানত বোমা বিস্ফোৰণ কৰা হ'ব ভাবুকি লাভ কৰে বিমান সংস্থা কেইটাই। উল্লেখ্য যে, বিগত দহ দিনত ২৫০ টাতকৈও অধিক এনে বোমা বিস্ফোৰণৰ ভাবুকি লাভ কৰিছে বিমান সংস্থাসমূহে। চৰকাৰী সূত্ৰ অনুসৰি বৃহস্পতিবাৰে আকাছা এয়াৰৰ ২৫খন বিমানে এনে ভাবুকি লাভ কৰে। ইয়াৰ উপৰিও এয়াৰ ইণ্ডিয়া, ইণ্ডিগ' আৰু ভিষ্টাৰা বিমান সংস্থাৰ ২০খনকৈ বিমানলৈ ভাবুকি প্ৰেৰণ কৰে অজ্ঞাত ব্যক্তিয়ে। স্পাইচজেট আৰু এলায়েন্স এয়াৰৰো পাঁচখনকৈ বিমানত বিস্ফোৰণৰ ভাবুকি প্ৰদান কৰা হয়। বৃহস্পতিবাৰৰ বোমা বিস্ফোৰণৰ ভাবুকিৰ পূৰ্বে ১৭০খন বিমানে ভুৱা বোমা বিস্ফোৰণৰ ভাবুকি লাভ কৰিছিল। এনে পৰিস্থিতিত বিমানত ভুৱা বোমাৰ ভাবুকিৰ সংখ্যা কমেও ২৬৫টালৈ বৃদ্ধি পাইছে। লক্ষণীয় যে, বিমান সংস্থাই লাভ কৰা এনে বিস্ফোৰণৰ ভাবুকিৰ অধিকাংশই ছ'চিয়েল মিডিয়াযোগে প্ৰদান কৰা হৈছিল। অন্যহাতে এনে ভাবুকিৰ বাবে কেইবাখনো বিমানৰ যাত্ৰাও বাতিল কৰিবলগীয়া হয়। অৱশ্যে তদন্তৰ অন্তত এনে ভাবুকিসমূহ ভুৱা বুলি নিশ্চিত কৰা হৈছে। কিন্তু বাৰে বাৰে লাভ কৰা বিস্ফোৰণৰ ভাবুকিক লৈ চিন্তাত পৰিছে বিমান কৰ্তৃপক্ষ আৰু কেন্দ্ৰীয় চৰকাৰ। ভুৱা বোমা বিস্ফোৰণৰ অভিযোগত অভিযুক্তসকলক বিমান সংস্থাটোৰ নো ফ্লাই লিষ্ট'ত অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনাও চলি আছে। এই তালিকাত থকাৰ অৰ্থ হ'ল তেওঁলোকে সংশ্লিষ্ট বিমান সংস্থাৰ কোনো বিমানত যাত্ৰা কৰিব নোৱাৰিব। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱেও কয় যে বিমানত ভুৱা বিস্ফোৰণৰ ভাবুকি প্ৰদান কৰাটো অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইফালে এই ঘটনাৰ সৈতে জড়িত এতিয়ালৈকে দিল্লী আৰক্ষীয়ে ৮টা গোচৰ ৰুজু কৰিছে। শেহতীয়া ঘটনাৰ পৰিপ্ৰেক্ষিতত অসামৰিক বিমান নিৰাপত্তা সংস্থা ব্যুৰো অৱ চিভিল এভিয়েশন ছিকিউৰিটিয়েও বিভিন্ন বিমান সংস্থাৰ সৈতে বৈঠকত মিলিত হৈছে। দিনদিয়েক পূৰ্বে আৰক্ষীয়ে কেবাখনো ৰাজ্যৰ পৰা কেবাজনো লোকক আটক কৰিছিল যদিও এই কাণ্ডৰ ৰহস্য ভেদ কৰিব পৰা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘূৰ্ণী ডেনাৰ কালৰূপ

বাবে ইতিমধ্যে সষ্টম হৈ পৰিছে ৰাজ্য দুখনৰ চৰকাৰ আৰু প্ৰশাসন। বুধবাৰে ডেনাৰ আশংকাত কলকাতা বিমানবন্দৰ বন্ধ কৰাৰ ঘোষণা কৰে বিমানবন্দৰ কৰ্তৃপক্ষই। একে সময়তে বৃহস্পতিবাৰে সন্ধিয়া ৬ বজাৰ পৰা শুকুৰবাৰৰ পুৱা ৯ বজালৈ বিমানবন্দৰটোৰ পৰা চলাচল কৰিবলগীয়া সকলো বিমানৰ উৰণ বাতিল কৰিছে কৰ্তৃপক্ষই। লক্ষণীয় যে, কলকাতা বিমানবন্দৰৰ উপৰিও ভুৱনেশ্বৰৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰো বৃহস্পতিবাৰে সন্ধিয়াৰ পৰা ১৬ ঘণ্টাৰ বাবে বন্ধ কৰি দিয়া হৈছে। ডেনাৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য দুখনৰ মাজেৰে চলাচল কৰিবলগীয়া ৫৫০খন ৰে'লৰ সেৱা বাতিল কৰা হৈছে। বিমানবন্দৰ কৰ্তৃপক্ষই সদৰী কৰা অনুসৰি এই দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত বৃহস্পতিবাৰে সন্ধিয়া ৫ বজাৰ পৰা শুকুৰবাৰে পুৱা ৯ বজালৈ ভুৱনেশ্বৰ বিমানবন্দৰত সেৱা বন্ধ ৰখা হৈছে। যাতে যাত্ৰীসকলে কোনো সমস্যাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে বিমানবন্দৰ কৰ্তৃপক্ষই আগতীয়াকৈ বিমানৰ উৰণ বাতিল কৰাৰ কথা ঘোষণা কৰিছে। প্ৰণিধানযোগ্য যে, কলকাতাৰ পৰা প্ৰতিদিনে গড়ে ৪০০খন বিমানে যাত্ৰা কৰাৰ বিপৰীতে ভুৱনেশ্বৰৰ পৰা দৈনিক গড়ে এশখন বিমানে যাত্ৰা কৰে। ডেনা ঘূৰ্ণীবতাহৰ আশংকাত এই দুই বিমানবন্দৰৰ সকলো বিমানৰ চলাচল বাতিল কৰাত যাত্ৰীসকল তীব্ৰ অসুবিধাৰ সন্মুখীন হোৱাৰ আশংকা কৰা হৈছে। বিমান সেৱা কৰ্তৃপক্ষৰ সমান্তৰালভাৱে ডেনাৰ প্ৰভাৱক লৈ সষ্টম হৈ পৰিছে ৰে'ল বিভাগো। ইতিমধ্যে ৫৫২খনতকৈও অধিক এক্সপ্ৰেছ আৰু যাত্ৰীবাহী ৰে'ল বাতিল কৰা হৈছে। ইয়াৰ ভিতৰত দক্ষিণ-পূব ৰে'লৱেয়ে বাতিল কৰিছে ১৫০খন ৰে'ল। ইষ্ট ক'ষ্ট ৰে'লৱেয়ে বাতিল কৰিলে ১৯৮খন ৰে'লৰ চলাচল। ইষ্টাৰ্ণ ৰে'লৱেয়ে বাতিল কৰিছে ২০০ৰো অধিক ৰে'ল আৰু দক্ষিণ-পূব-মধ্য ৰে'লৱে বাতিল কৰিছে ১৪খন ৰে'ল। উল্লেখ্য যে, বৃহস্পতিবাৰে অধিক শক্তিৰে ৰাজ্য দুখনৰ উপকূলৰ ফালে আগবাঢ়িছে ডেনাই। বৃহস্পতিবাৰৰ মাজনিশাৰ পৰা শুকুৰবাৰে পুৱাৰ ভিতৰত এই ঘূৰ্ণীবতাহ ওড়িশাৰ ভিত্ৰাকণিকা আৰু ধমৰা পাৰ হোৱাৰ সম্ভাৱনা আছে। সেই সময়ত ধুমুহাৰ গতি ঘণ্টাত ১১০-১১০ কিলোমিটাৰ হ'ব বুলি অনুমান কৰা হৈছে। এই বিধ্বংসী ঘূৰ্ণীয়ে সৰ্বোচ্চ ১২০ কিলোমিটাৰ প্ৰতিঘণ্টাৰ গতিৰে ওড়িশা, পশ্চিমবংগৰ মাজেৰে পাৰ হৈ যাব। ইফালে এই ঘূৰ্ণীবতাহৰ প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে অসম তথা উত্তৰ-পূবতো। বৃহস্পতিবাৰৰ দিনটোতো ডেনাৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তত পাতল বৰষুণ আৰু বতাহ বলা পৰিলক্ষিত হয়। কাইলৈকো ৰাজ্যখনত ডেনাৰ প্ৰভাৱত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি জনাইছে বতৰ বিজ্ঞান কেন্দ্ৰই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহালী, চামগুৰিত প্ৰাৰ্থী ঘোষণা

সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে দুটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে। বিহালীত অনন্ত গগৈ আৰু চামগুৰিত নুৰুল আমিন চৌধুৰীক টিকট প্ৰদান কৰিছে। আজি দিনৰভাগত উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি আপ অসম গণেশগুৰিৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা সংবাদমেলত তত্বাৱধায়ক ৰাজেশ শৰ্মাই দুই প্ৰাৰ্থীৰ নাম ঘোষণা কৰি অসমৰ ৰাইজক বিশেষ আহ্বান জনাইছে। আপে দুদিন পূৰ্বে উপ-নিৰ্বাচন সন্দৰ্ভত এটা কমিটী গঠন কৰিছিল কমিটীৰ পৰামৰ্শৰ ভিত্তিতে বিহালী আৰু চামগুৰিত প্ৰাৰ্থী ঘোষণা কৰা বুলি জানিব পৰা গৈছে। ৰাজেশ শৰ্মাই দুই প্ৰাৰ্থীৰ নাম ঘোষণা কৰি আজি অসমৰ বাবে এটা বিশেষ দিন বুলি কয়। কিয়নো আপ অসমে প্ৰথমবাৰ অসমত বিধানসভাৰ উপ-নিৰ্বাচন খেলিবলৈ গৈ আছে বুলি উল্লেখ কৰে। সংবাদমেলত বিহালী আৰু চামগুৰি সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰি অসমত সাম্প্ৰদায়িক, ভ্ৰষ্টাচাৰৰ ৰাজনীতি চলি অহা বুলি দাবী কৰে। অসমৰ পৰা ভ্ৰষ্টাচাৰ নাশঃ কৰিবলৈ নিৰ্বাচন খেলাৰ সিদ্ধান্ত লোৱা বুলি কয়। চামগুৰিত এটা পৰিয়াল আৰু এটা দলৰ শাসন চলি থকাৰ লগতে বিহালীতো এটা পৰিয়াল আৰু এটা দলৰ শাসন চলি থকা বুলি কৈ এই পৰম্পৰা আৰু ভাই-ভতিজাবাদৰ ৰাজনীতি সলনি কৰাৰ সময় আহি পৰিছে বুলি কয় ৰাজেশ শৰ্মাই। অসমৰ ৰাইজক বিশেষ গোহাৰি জনাই শৰ্মাই আৰু কয় যে আপোনালোকে কংগ্ৰেছ, বিজেপি সকলোকে চালে। ইমানদাৰ আৰু অৰবিন্দ কেজৰিৱালৰ নেতৃত্বত কামৰ ৰাজনীতি কৰিবলৈ আৰু উন্নয়নৰ ৰাজনীতি কৰিবলৈ আপক এবাৰ সুবিধা দিয়াৰ আহ্বান জনাই। আনহাতে আজি দুই সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰি আপ অসমৰ সভাপতি মনোজ ধানোৱাৰে কয় যে অসমত দুৰ্নীতিমুক্ত প্ৰশাসন, উন্নয়ন আৰু কামৰ ৰাজনীতিক দলীয় কৰ্মী-সমৰ্থকসকলৰ লগতে সৰ্বস্তৰৰ ৰাইজৰ সমৰ্থন আৰু সহযোগিতা কামনা কৰিছে। আপ অসমে উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫টা সমষ্টিৰ ভিতৰত আজি দুটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে। আপে প্ৰাৰ্থী ঘোষণা কৰাৰ পাছতে আপৰ তত্বাৱধায়ক আৰু ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে অসম সন্মিলিত মৰ্চাৰ সাধাৰণ সম্পাদক লুৰীণজোতি গগৈক সাক্ষাৎ কৰে। আপ আৰু অসম সন্মিলিত মৰ্চাৰ সাধাৰণ সম্পাদক লুৰীণজোতি গগৈৰ মাজত আগন্তুক দিনৰ মিত্ৰতাক লৈ আলোচনা হোৱা বুলি জানিব পৰা গৈছে। শীঘ্ৰে আপে অসম সন্মিলিত মৰ্চাত অন্তৰ্ভুক্ত হ'ব পাৰে বুলিও জানিব পৰা গৈছে। অসম সন্মিলিত মৰ্চা তথা পূৰ্বৰ বিৰোধী ঐক মঞ্চত আপ আছিল যদিও লোকসভা নিৰ্বাচনত আসন ভাগ-বাটোৱাৰাত নাৰাজ হৈ ওলাই আহিছিল। অসম সন্মিলিত মৰ্চা তথা বিৰোধী ঐক মঞ্চত কংগ্ৰেছ, অসম জাতীয় পৰিষদ, তৃণমূল কংগ্ৰেছ, ৰাইজৰ দল এনচিপি অসম শাৰদ পাৱাৰ গোট, চিপিএম, চিপিআই,আৰজেডি, চিপিআইএম, চিপিআইএমএল, শিৱসেনা উদ্ধাৱ গোট, এপিএইছএলচি, ফৰৱাৰ্ড ব্লক, পূৰ্বাঞ্চলীয় লোক পৰিষদ, সোণোৱাল কছাৰী গণমঞ্চ সদস্য হৈ আছিল। মুঠ ১৮ টা দল আছিল যদিও কংগ্ৰেছ আঁতৰি অহাত অন্তৰ্ভুক্ত হ'ব পাৰে আম আদমী পাৰ্টী। বিষয়টোক লৈ আনুষ্ঠানিক ঘোষণা হোৱা নাই যদিও তেনে ইংগিত পোৱা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাইজৰ দল-এজেপিক এনজিঅ'

বিপৰীতে, লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে শাসকীয় বিজেপিয়ে। কেন্দ্ৰীয় ৰাজ্যিক বিদেশ মন্ত্ৰী তথা অসম বিজেপিৰ নেতা পৱিত্ৰ মাৰ্ঘেৰিটাই পুনৰ আক্ৰমণৰ লক্ষ্য কৰি লৈছে লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈক। ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ দাবী মানি নলৈ চিপিআইএমএলৰ প্ৰাৰ্থীৰ প্ৰাৰ্থিত্বক প্ৰত্যাখান কংগ্ৰেছে বিহালীত সমষ্টিত নিজাৱবীয়াকৈ জয়ন্ত বৰাক প্ৰাৰ্থী ঘোষণা কৰাৰ পাছতে কটুক্তি কৰি দুই নেতালৈ গভীৰ সমবেদনা জ্ঞাপন কৰে পৱিত্ৰ মাৰ্ঘেৰিটাই। আজি সংবাদমাধ্যমৰ মুখামুখি হৈ পৱিত্ৰ মাৰ্ঘেৰিটাই পুনৰ ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদক এনজিঅ' আখ্যা দি ভুপেন বৰা, লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ে গভীৰ সমাবেদনা জ্ঞাপন কৰে। পৱিত্ৰ মাৰ্ঘেৰিটাই কয় যে প্ৰথমতে ভুপেন বৰালৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। নতুন কবিতাৰ সমল বিচাৰি পাব। কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই তেওঁলোকৰ যিসকল লোক আছে তেওঁলোকক ইমান নস্যাৎ কৰি দিব পাৰে সেই কথা ভাবিব পৰা নাছিলো। ৰাজনৈতিক দলত যে এনেকুৱা হ'ব পাৰে সেই কথা আমি নাজানো। দ্বিতীয়তে গভীৰ সমবেদনা জ্ঞাপন কৰিছো অখিল গগৈ লুৰীণজ্যোতি গগৈলৈ। কংগ্ৰেছে গুৰুত্ব দিয়া নাছিল যদিও কংগ্ৰেছৰ নেগুৰত ধৰি পিছি পিছে ঘুৰি-ফুৰিছিল। শুনিবলৈ বেয়া যদিও তেওঁলোকক পাত্তাই নিদিলে কংগ্ৰেছে। কংগ্ৰেছে দেখিছে যে এই দুটা দলৰ গণভিত্তি নায়েই। তেওঁলোকে সাধাৰণতে প্ৰেছ বিবৃতি, কেৱল সংবাদমাধ্যমৰ সন্মুখত উচ্চ-বাচ্য কৰে। মোক বেয়া পাই মই যেতিয়া এই দল দুটাক এনজিঅ'ৰ লগত তুলনা কৰো। আনহাতে কংগ্ৰেছক প্ৰশংসা কৰি পৱিত্ৰ মাৰ্ঘেৰিটাই কংগ্ৰেছ এটা পুৰণি দল। তাতেই আকৌ তেওঁলোকৰ অৱস্থা তথৈবচ। তেওঁলোকৰ যিহেতু বিহালীত মানুহেই নাই ভৰি হাতে ধৰি বিজেপিৰ মানুহ এজনকে লৈ গৈছে। কিন্তু অসমবাসীয়ে প্ৰতিটো নিৰ্বাচনত ইতিমধ্যে সিদ্ধান্ত দিছেই। এইবাৰো ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন হিমন্ত বিশ্ব শৰ্মা চৰকাৰক ৰাইজে আশীৰ্বাদ দিব বুলিও কয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'লিলি'ত এনেই লিলিমাই!

গঠন কৰিছিল বিৰোধী ঐক্য মঞ্চ, অসমৰ। সেই তেতিয়াৰে পৰা মহানগৰীৰ এখন বিশেষ হোটেল একপ্ৰকাৰ মঞ্চৰ ঠিকনা সদৃশ হৈ পৰিছিল। হোটেল লিলিত বিৰোধী ঐক্য মঞ্চৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছিল বিগত বৰ্ষৰ ২৬ অক্টোবৰত আৰু শেহতীয়া বৈঠকখন অনুষ্ঠিত হৈছে যোৱা ২২ অক্টোবৰত। এই এবছৰত উক্ত হোটেলখনত মঞ্চই অতিকমেও ১০-১২খন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক বৈঠক সম্পন্ন কৰিছে। বিগত বৰ্ষৰ ২৬ অক্টোবৰৰ পৰা ২২ অক্টোবৰলৈ প্ৰায় এবছৰ ধৰি হোটেল লিলিত চাহ-জলপান খাই ইখনৰ পিছত সিখন বৈঠক কৰি চৰকাৰ গঠনৰ সপোনৰে বিৰোধী ঐক্য মঞ্চৰ নাম সলাই অসম সন্মিলিত মৰ্চা চমুকৈ অসম নামেৰে নামাকৰণ কৰিলে যদিও বিৰোধী ঐক্যৰ শেষ ৰক্ষা নহ'ল। 'ভাবি চালে লিলিমাই এই জীৱনত একো নাই'ৰ লেখীয়াকৈ বিহালী সমষ্টিৰ উপ-নিৰ্বাচনত জয়ন্ত বৰা নামৰ এগৰাকী সদ্য বিজেপি ত্যাগী নেতাক প্ৰাৰ্থিত্ব প্ৰদানৰ পিছতে হোটেল লিলিৰ বৈঠকসমূহো এতিয়া অসাৰ হৈ পৰাৰ লগতে বিৰোধী ঐক্যৰ পৰা ওলাই আহিবলৈ বাধ্য হৈ পৰিছে অন্যতম আহ্বায়ক দল কংগ্ৰেছ। একালৰ বিজেপি নেতা জয়ন্ত বৰাই কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰাৰ পিছতে অকল বিৰোধী ঐক্য মঞ্চতে ভাঙোন অহা নাই, বিভাজিত হৈ পৰিছে অসম প্ৰদেশ কংগ্ৰেছো। অসম প্ৰদেশ কংগ্ৰেছত জয়ন্ত বৰাৰ প্ৰাৰ্থিত্বক লৈ এতিয়া উলম্ব বিভাজন দেখা গৈছে। বিশেষকৈ দলৰ সভাপতি ভুপেন কুমাৰ বৰাৰ অনুপস্থিতিত আজি শোণিপুৰৰ জিলাত যোগদান কৰে বিতৰ্কিত বিজেপি নেতা জয়ন্ত বৰাই। টকাৰ বলত বলীয়ান হোৱা জয়ন্ত বৰাই কাইলৈ বিহালী সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰাৰ কথা। জয়ন্ত বৰাৰ ঘৰ বিশ্বনাথ জিলাত। সেইসূত্ৰে জিলা কংগ্ৰেছত যোগদান কৰাতো দলীয় সংবিধানৰ নিয়ম। অন্যহাতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ নিৰ্বাচনৰ প্ৰাৰ্থী হোৱাৰ যি নিয়ম সেই নিয়ম অনুযায়ী ব্লক, মণ্ডল আৰু জিলা কংগ্ৰেছে প্ৰাৰ্থীজনৰ নাম পঠিয়াব লাগে। তাৰপিছত নিৰ্বাচন কমিটিত সেই প্ৰাৰ্থীজনৰ নাম সম্পৰ্কে আলোচনা হ'ব লাগে আৰু তাৰপৰা অনুমোদিত হৈ হাইকমাণ্ডলৈ যাব লাগে। কিন্তু জয়ন্ত বৰাৰ ক্ষেত্ৰত এই নিয়মবোৰ একেবাৰে মানি চলা নহ'ল। কাৰণ জয়ন্ত বৰাক ওপৰৰ পৰা লৈ অহা হ'ল। বস্তুতেই জয়ন্ত বৰাক গৌৰৱ গগৈৰ প্ৰাৰ্থী বুলি দাবী কৰি আহিছে আৰু সেই দাবীত ছীল-মোহৰ লগাই গৌৰৱ গগৈয়ে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ অনুপস্থিতিত তেজপুৰত জয়ন্ত বৰাক কংগ্ৰেছত যোগদান কৰায়। এয়া কংগ্ৰেছৰ বাবে এক অশুভ পৰম্পৰা বুলি একাংশ কংগ্ৰেছ নেতাই অভিহিত কৰিছে। কিয়নো নিয়ম-নীতি অবিহনেই তেওঁক কংগ্ৰেছত যোগদান কৰোৱা হৈছে। ইয়াৰ বিপৰীতে গৌৰৱ গগৈ শিবিৰৰ দাবী যে জয়ন্ত বৰা এজন শক্তিশালী প্ৰাৰ্থী আৰু কংগ্ৰেছৰ পৰা তেওঁ জয়ী হ'ব। কিন্তু বিহালী সমষ্টিৰ যি জনগাঁথনি তালৈ চালে দেখা যায় যে চাহ জনগোষ্ঠীৰ ভোটাৰৰ সংখ্যা অধিক, দ্বিতীয় স্থানত নেপালী আৰু তৃতীয় স্থানত আছে অসমীয়া ভাষী লোকৰ সংখ্যা। গৌৰৱ গগৈ শিবিৰৰ মতে অসমীয়া ভাষী লোকে এইবাৰ জয়ন্ত বৰাক ভোট দিব। ইফালে, জয়ন্ত বৰা আৰু তেওঁৰ শহুৰেকৰ বিৰুদ্ধে আছে কেবাটাও গোচৰ। বিশেষকৈ ভূমিৰ লেনদেন সম্পৰ্কীয় গোচৰৰ বাবে জয়ন্ত বৰাৰ শহুৰেক অকণ বৰা ইতিমধ্যে জেললৈ গৈছিল। জয়ন্ত বৰায়ো অন্তৰ্বৰ্তীকালীন জামিন লৈ জেলৰ বাহিৰত আছে। এনে পৰিস্থিতিত দলত যোগদান নকৰাকৈয়ে এজন বিতৰ্কিত বাহিৰৰ লোকক কিয় টিকট দিয়া হ'ল, তাকো বিৰোধী ঐক্য মঞ্চত বিভাজন আনি সেই লৈ কংগ্ৰেছৰ ভিতৰচ'ৰাত তীব্ৰ জোকাৰণিৰ সৃষ্টি হৈছে। মন কৰিবলগীয়া যে, আজিৰ দিনটোতে জয়ন্ত বৰাই যোগদান কৰাৰ লগতে অসম সন্মিলিত মৰ্চাৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত মৰ্চাৰ সভাপতি হিচাপে অজিত কুমাৰ ভূঞাক নিৰ্বাচিত কৰা হয়। ইয়াৰ পূৰ্বে অসমৰ সভাপতি আছিল ভুপেন কুমাৰ বৰা। ২০২৩ চনতে ভুপেন কুমাৰ বৰাৰ নেতৃত্বত বিৰোধী ঐক্য মঞ্চ গঠন হৈছিল। পৰৱৰ্তী সময়ত মঞ্চৰ নাম সলনি কৰি অসম সন্মিলিত মৰ্চা কৰা হয়। এতিয়া সমগ্ৰ বিষয়টো লৈ প্ৰদেশ কংগ্ৰেছত ধুমুহাৰ সৃষ্টি হৈছে যে জয়ন্ত বৰাক জিকাব নোৱাৰিলে গৌৰৱ গগৈৰ নেতৃত্বৰ প্ৰতি প্ৰশ্ন আহিব নেকি। উল্লেখ্য যে, এই বিষয়টো লৈ ইতিমধ্যে কংগ্ৰেছৰ হাইকমাণ্ডৰ মাজতো চৰ্চা হৈছে। কিয়নো অসমৰ দায়িত্বত থকা নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙে অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ক বিহালী সমষ্টিটো এৰি দিব বুলি লিখিতভাৱে কৈছিল। অসমে বিবেক দাসক বাদ দি যাৰ নাম প্ৰস্তাৱ কৰে তেওঁকে টিকট দিয়া হ'ব বুলি জনাইছিল। কিন্তু ইয়াৰ পৰৱৰ্তী সময়ত গৌৰৱ গগৈয়ে নিজৰ শক্তি প্ৰদৰ্শন কৰি জয়ন্ত বৰাক অনা বুলি তেওঁৰ শিবিৰে দাবী কৰে। এই কথাটোক লৈ এতিয়া প্ৰদেশ কংগ্ৰেছত তীব্ৰ অসন্তুষ্টিয়ে দেখা দিছে। এনেকৈ এতিয়া দুটা শিবিৰত বিভক্ত হৈ পৰিছে প্ৰদেশ কংগ্ৰেছ। ইফালে, বিশ্বনাথ জিলা কংগ্ৰেছৰ সভাপতি দিলীপ কুমাৰ বৰুৱা আৰু তেওঁৰ পুত্ৰ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক সঞ্জু বৰুৱাই সমগ্ৰ বিষয়টো সন্দৰ্ভত নিজা স্থিতিত আছে। তেওঁলোকে বিশ্বনাথ জিলা কংগ্ৰেছৰ তৰফৰ পৰা কোনোধৰণে কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাক সহায় নকৰে বুলি হুংকাৰ অব্যাহত ৰাখিছে। পৰৱৰ্তী সময়ত যদি বিহালী বিধানসভা সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থী পৰাস্ত হয় তেতিয়া তাৰ দায়িত্ব গৌৰৱ গগৈয়ে বহন কৰিব লাগিব বুলিও তেওঁলোকৰ শিবিৰে ঘোষণা কৰিছে। বিপৰীতে কংগ্ৰেছক বাদ দি বাকী বিৰোধী দলসমূহে সমষ্টিটোত প্ৰাৰ্থী প্ৰদানৰ কথা ইতিমধ্যে ঘোষণা কৰিছে। বিবেক দাসে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিলেও আন এজনক চিপিআইএমএলে অৱতীৰ্ণ কৰাইছে। আম আদমী প্ৰাৰ্থীয়েও ইতিমধ্যে সমষ্টিটোত প্ৰাৰ্থী ঘোষণা কৰিছে। আনহাতে, বিৰোধী ঐক্য মঞ্চৰ বাকী দলসমূহে কংগ্ৰেছক এতিয়া বিজেপিৰ দৰেকৈ আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গৈছে। অসম সন্মিলিত মৰ্চাৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে অসমত কংগ্ৰেছ অবিহনেও 'অসম' থাকিব বুলি দাবী কৰিছে। সাংসদ অজিত কুমাৰ ভূঞাই কংগ্ৰেছে বাকী দলসমূহক চূড়ান্তভাৱে অপমান কৰা বুলি মন্তব্য কৰিছে। অখিল গগৈয়েও একেধৰণে সমালোচনা কৰিছে। এনেদৰেই এতিয়া আধাতে অনাকাংক্ষিতভাৱে অন্ত পৰিছে বিৰোধী দলসমূহৰ হোটেল লিলিৰ প্ৰায় এবছৰীয়া লিলিমাই!


■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত সাংবাদিকক আক্ৰমণ

লোক প্ৰহৃত হ'বলগীয়া হোৱাৰ ঘটনাই অধিক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে চামগুৰিত। ৰাজনৈতিক হিংসাত্মক এই আক্ৰমণ প্ৰতি আক্ৰমণৰ ঘটনাত সাংবাদিক, দলীয় সমৰ্থকৰ লগতে আৰক্ষীৰ লোকো আঘাতপ্ৰাপ্ত হয়। কংগ্ৰেছ দলৰ চামগুৰিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ মনোনয়ন পত্ৰ দাখিলৰ সমৰ্থনত আজি কংগ্ৰেছ কৰ্মী-সমৰ্থকে এক সমদল চামগুৰিৰ কাৰৈমাৰীৰ পৰা চামগুৰি হৈ নগাঁও জিলা আয়ুক্ত কাৰ্যালয়লৈ উলিয়াইছিল। ইফালে, চামগুৰিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ জলসম্পদ আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত এক নিৰ্বাচনী প্ৰচাৰ সভা ভগামুখ ঈদগ্ৰাহ ময়দানত আয়োজন কৰিছিল। সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনৰ মনোনয়ন পত্ৰ দাখিলৰ সমদলত সাংসদ ৰকিবুল হুছেইনৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া, নগাঁৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিধায়ক ৰেকিবুদ্দিন আহমেদ, বিধায়ক নুৰুল হুদা, শিৱামণি বৰাকে ধৰি কেইবাজনো কংগ্ৰেছৰ আগশাৰীৰ নেতাই অংশগ্ৰহণ কৰিছিল। চামগুৰি সমষ্টিৰ কাৰৈমাৰীৰ পৰা সৰু-বৰ গাড়ী আৰু মটৰ চাইকেলেৰে বিশাল সমদল কৰি চামগুৰি অভিমুখে আহি থকাৰ অৱস্থাতে ভগামূৰত বিজেপি নিৰ্বাচনী প্ৰচাৰ সভাৰ সন্মুখৰ ৰাজপথত কংগ্ৰেছ আৰু বিজেপি সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনাৰ সূত্ৰপাত ঘটে। বিজেপি সমৰ্থনকাৰী একাংশ উদণ্ড সমৰ্থকে ৰেলীত অংশগ্ৰহণ কৰা কেইবাখনো বাহন লাঠীৰে কোবাই ক্ষতিসাধন কৰাৰ লগতে কংগ্ৰেছী সমৰ্থকেও কেইবাখনো বাহনৰ ক্ষতিসাধন কৰে বুলি অভিযোগ-প্ৰতি অভিযোগ উত্থাপন হৈছে। একাংশ উদণ্ড বিজেপি সমৰ্থকে সমদলকাৰী কংগ্ৰেছ কৰ্মীয়ে ব্যৱহাৰ কৰা বাহন ভঙাৰ দৃশ্য সাংবাদিকে কেমেৰাত বন্দী কৰাত ক্ষুণ্ণ হৈ পৰে বিজেপি কৰ্মী। এই উদণ্ড বিজেপি কৰ্মীসকলে সাংবাদিকৰ কেমেৰা, ম'বাইল কাঢ়ি নিয়াৰ উপৰি মাৰধৰ কৰে। বিজেপি গুণ্ডাৰ আক্ৰমণত বৈদ্যুতিন মাধ্যম প্ৰতিদিন টাইমৰ চামগুৰিৰ সাংবাদিক নয়নমণি বৰা, প্ৰথম খবৰৰ সাংবাদিক বাতচাম এন জেদ হক, ঈশান নিউজৰ সাংবাদিক নৰজ্যোতি বৰুৱা, ডি ৱাই ৩৬৫ ৰ ফটো সাংবাদিক ফৰিদ আহমেদ, প্ৰতিদিন টাইমৰ ফটো সাংবাদিক লনু বৰুৱা, দৈনিক অগ্ৰদূত কাকতৰ চামগুৰিৰ জ্যেষ্ঠ সাংবাদিক বিবেকানন্দ শইকীয়াকো ঠেলা-গতা কৰি আহত কৰে। আনহাতে, দুজন সাংবাদিকক আৰক্ষীৰ চোৰাংচোৱা বিভাগৰ এজন বিষয়াই এখন চাহৰ দোকানত সুমুৱাই আক্ৰমণৰ পৰা ৰক্ষা কৰে। লগতে আৰক্ষীকো ঠেলা-গতা কৰাৰ অভিযোগ উঠিছে। এই ঘটনাৰ পাছতে বহুকেইজন সাংবাদিকে পলায়ন কৰি আহি চামগুৰি থানাত উপস্থিত হয়। ইয়াৰ পাছতে সাংবাদিকসকলে থানাত এজাহাৰ দিয়াৰ লগতে থানাৰ সন্মুখত দোষীক শাস্তিৰ দাবীত ধৰ্ণা দিয়ে। ইয়াৰ পাছতে মন্ত্ৰী পীযুষ হাজৰিকা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীসহ বহুকেইজন বিজেপি নেতা ধৰ্ণাস্থলীত উপস্থিত হৈ সাংবাদিকসকলৰ লগত আলোচনাত মিলিত হৈ দোষীক শাস্তিৰ আশ্বাস দিয়াত সাংবাদিকসকলে ধৰ্ণা কাৰ্যসূচী স্থগিত ৰাখে। আনহাতে, চামগুৰি তিনিআলিতো কংগ্ৰেছৰ সমদলকাৰীসকলক বিজেপি কৰ্মীয়ে ধৰ্ণা দিয়াত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰাষ্ট্ৰীয় ঘাইপথত এই উত্তপ্ত পৰিস্থিতিৰ বাবে উজনি-নামনিৰ শ-শ বাহন আৱদ্ধ হৈ পৰে। আনহাতে, আজি সাংবাদিক আক্ৰমণ কৰা ঘটনাক চামগুৰি প্ৰেছ ক্লাব, পুৰণিগুদাম প্ৰেছ ক্লাব, কলিয়াবৰ প্ৰেছ ক্লাব, ভাৰতীয় সাংবাদিক সংঘৰ নগাঁও জিলা সমিতি, আপকুৰ নগাঁও জিলা সমিতি, চামগুৰি আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে সাংবাদিক আক্ৰমণৰ এই ঘটনাক গৰিহণা দিয়াৰ লগত দোষীক শাস্তি দিয়াৰ দাবী জনাইছে।

# ৰঙিয়া আৰক্ষীৰ জালত পৰিল এন্দুৰ

**ই-সংবাদ, ৰঙিয়া, ২৪ অক্টোবৰঃ** ৰঙিয়াত চিলনী চোৰ জাহিৰুল আলম ওৰফে এন্দুৰ নামৰ দুৰ্ধৰ্ষ চোৰটোক ৰাইজে আটক কৰি ৰঙিয়া আৰক্ষীক গতাই দিয়ে। আটকাধীন চোৰ জাহিৰুল আলমে চলিত বৰ্ষৰ ৩০ মে'ত ম'বাইল ফোন চুৰি কৰি পিছত ফোনটোৰ জৰিয়তে গৰাকীৰ একাউন্ট হেক কৰি লুট কৰে প্ৰায় ১ লাখ ৯৯ হাজাৰ ৮০৭ টকা। ঘটনা সন্দৰ্ভত ৰঙিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰে ভুক্তভোগী ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহক তথা ৰঙিয়াৰ সমীপৰ উদিয়ানা নিবাসী আজিজুৰ ৰহমানে। ইফালে, আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি ৰঙিয়াৰ পিতাম্বৰ হাট বজালীৰ জাহিৰুল আলম ওৰফে এন্দুৰে প্ৰথমে চিলনী চোৰৰ পদ্ধতিৰে ম'বাইল চুৰি কৰাটো নিশ্চিত হয়। পিছত চোৰটোৱে গুগল পে'ৰ ইউ পি আইৰ দ্বাৰা পত্নীৰ একাউন্টত কেবাটাও ট্ৰেনজেকচনৰ জৰিয়তে ১,৮১,৬,৮২ টকা আদায় কৰাৰ লগতে অন্য কেইবাটাও ট্ৰেনজেকচন কৰাৰ তথ্য লাভ কৰে। আৰক্ষীয়ে জাহিৰুল আলম ওৰফে এন্দুৰ আৰু তেওঁৰ পত্নীৰ সন্ধানত নামি পৰে যদিও সুদীৰ্ঘ ৬ মাহে পলাতক অৱস্থাত আছিল তেওঁলোক। অৱশেষত ভুক্তভোগী আজিজুৰ ৰহমানে কেইগৰাকীমান যুৱকৰ সহযোগত অভিযান চলাই জাহিৰুল আলম ওৰফে এন্দুৰক কৰায়ত্ত কৰি লগে লগে খবৰ দিয়ে আৰক্ষীক। ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজয় বৰ্মনৰ নেতৃত্বত যোৱা আৰক্ষী দলটোৱে কৰায়ত্ত কৰে জাহিৰুল আলম ওৰফে এন্দুৰক।



আমগুৰি ৰাজহ চক্ৰৰ কাৰ্যালয় বন্ধ কৰিব খোজা কাৰ্যৰ বিৰুদ্ধে সৰৱ অগপে ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিছে স্মাৰক পত্ৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে মাটিৰ দালালক টিকট

আঁতৰাই পঠালে কংগ্ৰেছক। আজি অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ৰ মুঠ ১৮টা দলৰ ভিতৰত ১৭টা দলে এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰি কংগ্ৰেছক একপ্ৰকাৰ বহিস্কাৰ কৰে বাকী ১৮টা দলে। ২২জন বিধায়কসহ মুখ্য বিৰোধী দল হৈ থকা কংগ্ৰেছেক খবৰ নিদিয়াকৈ অৰ্থাৎ বাৰণ কৰি আজি অনুষ্ঠিত কৰা জৰুৰ বৈঠকত ১৭টা বিৰোধী দলে কংগ্ৰেছক একাষৰীয়া কৰিছে। অসম সন্মিলিত মৰ্চাই বিহালীত মিত্ৰতাৰ ধৰ্ম পালন নকৰি নিজ খেয়াল-খুচিমতে প্ৰাৰ্থী থিয় কৰোৱা অসমত কংগ্ৰেছক এঘৰীয়া কৰে। অসম সন্মিলিত মৰ্চাই আজি কংগ্ৰেছক এৰি ততাতৈয়াকৈ বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত কংগ্ৰেছ অবিহনে অসম সন্মিলিত মৰ্চা চলি থাকিব বুলি ঘোষণা কৰিছে নেতৃত্বই। গুৱাহাটীত বৈঠক অনুষ্ঠিত কৰি বিহালী সমষ্টিৰ প্ৰাৰ্থিত্ব আৰু আগন্তুক দিনত কংগ্ৰেছ অবিহনে মিত্ৰতা কেনেদৰে বৰ্তাই ৰাখিব পৰা যাব তাক লৈ আলোচনা কৰা বুলি জানিব পৰা গৈছে। এই আলোচনাত ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈসহ বিৰোধীৰ আন আন দলৰ নেতাসকল উপস্থিত থাকে। গুৰুত্বপূৰ্ণ বৈঠকত অসম সন্মিলিত মৰ্চা ভংগ নকৰি নতুন গতি দিয়া, ৰাইজৰ সমস্যাৰ হকে যুঁজ দিয়া আদিৰ লগতে সৰু সৰু আঞ্চলিক দলক লগত লোৱাৰ সিদ্ধান্ত লয় নেতৃত্বই। ভূপেন কুমাৰ বৰাই মৰ্চাৰ সভাপতি পদ এৰাত খালী হোৱা সভাপতি পদটোত অজিত কুমাৰ ভূঞাক দিয়াৰ সিদ্ধান্ত লয়। আগন্তুক দিনত অসম সন্মিলিত মৰ্চাক নেতৃত্ব দিব ভূঞাই। বিহালী সমষ্টি বিৰোধী কংগ্ৰেছক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয় অখিল গগৈয়ে। কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাক মাটিৰ দালাল আখ্যা দি অখিলে কয় যে কংগ্ৰেছ বিহালীৰ প্ৰাৰ্থী জয়ন্ত বৰা মাটিল দালাল। সকলোৰে জানে যে দুদিন আগলৈ বিজেপিত আছিল বৰা। এনে নহয় যে তেওঁ ৰাজ্যৰ বাবে বা ৰাজনৈতিক ইতিহাসত বৰ ডাঙৰ কিবা অৰিহণা যোগাইছে। বৰং এজন মাটিৰ দালালহে। কেৱল কেইটামান টকা বেছি খৰচ কৰিব পাৰিব। ভোট কেইটামান বেছি পাব। সেই কথাটোক গৌৰৱ গগৈয়ে কংগ্ৰেছত নিজৰ স্থান যাতে ওপৰলৈ নিব পাৰে তাৰ বাবে বাজি লগালে। কংগ্ৰেছে এক ঐতিহাসিক বিশ্বাসঘাতকতা কৰিছে। এই বিশ্বাসঘাতকতা কেৱল বিৰোধীৰ ১৫টা ৰাজনৈতিক দলৰ প্ৰতি বিশ্বাসঘাতকতা নহয়। এয়া আদৰ্শ আৰু একতাৰ বিৰুদ্ধে বিশ্বাসঘাতকতা। গৌৰৱ গগৈ আৰু ভূপেন বৰাৰ সংঘাতৰ বাবে মিত্ৰতাত আউল লগাৰ অভিযোগ উত্থাপন কৰি অখিল গগৈয়ে বিৰোধীৰ একতাত ভাঙোন অহাৰ অন্যতম কাৰণ হৈছে গৌৰৱ গগৈ আৰু ভূপেন বৰাৰ সংঘাত। ২০২৬ চনত অসমত বিজেপি বিৰোধী সাম্প্ৰদায়িকতা বিৰোধী সকলো দল লগলাগি বিজেপিক প্ৰতিহত কৰাটো বিচাৰিছিল ৰাইজে। দুৰ্ভাগ্যজনকভাৱে গৌৰৱ গগৈ আৰু ভূপেন বৰাৰ ক্ষমতাকেন্দ্ৰিক দ্বন্দ্বৰ বাবে উপ-নিৰ্বাচনত সেয়া নহ'ল। অখিল গগৈয়ে গৌৰৱ গগৈৰ অহংকাৰ হৈছে বুলি উল্লেখ কৰি কয় যে গৌৰৱ গগৈৰ অহংকাৰে গজদন্ত মিনাৰ চুইছেগৈ। গৌৰৱ গগৈয়ে এই সময়তে দলৰ প্ৰতিদ্বন্দ্বী ভূপেন বৰাক কোব শোধোৱাটো সম্ভৱ। সেই কাৰণে গৌৰৱ গগৈয়ে বিৰোধীৰ ঐক্যক থানবান কৰিছে। এয়া আমাৰ ঐক্যমঞ্চৰ সংঘাত নহয় কংগ্ৰেছৰ ভিতৰৰ ক্ষমতাৰহে সংঘাত। কংগ্ৰেছৰ ১৫ বছৰীয়া কাৰ্যকালৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ প্ৰসংগ টানি আনি অখিল গগৈয়ে কংগ্ৰেছৰ দিনত অপশাসন, ভ্ৰষ্টাচাৰ, দুৰ্নীতি, লোকসেৱা আয়োগ, উত্তৰ কাছাৰৰ কেলেংকাৰী, লুই ৰাৰ্জাৰ, সাৰদা কেলেংকাৰীৰ কথা উল্লেখ কৰি কয় যে ভাবিছিলো কংগ্ৰেছে ১০ বছৰ ক্ষমতাত নাথাকি শিক্ষা ল'ব। ২০২৬ চনত এখন বিজেপি বিৰোধী চৰকাৰ গঠন কৰিব পাৰিম। এতিয়া কংগ্ৰেছে মুখ্যমন্ত্ৰী কোন হ'ব সেইটোক লৈ বিৰোধীৰ ঐক্য ভাঙি পেলালে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱৰ কথা! পুনৰাই সন্মিলিত

জয়ন্ত বৰাক আজিহে শোণিতপুৰ জিলা কংগ্ৰেছ কাৰ্যালয়ত যোগদান কৰে। বৰা গৌৰৱ গগৈৰ ঘনিষ্ঠ বুলি চলি অহা চৰ্চাক সত্য প্ৰমাণিত কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা বা আন কোনো জ্যেষ্ঠ নেতাৰ বাদে একমাত্ৰ সাংসদ গগৈৰ উপস্থিতিত বিহালী সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই আনুষ্ঠানিকভাৱে দলটোত যোগদান কৰে আৰু সদস্য পদ গ্ৰহণ কৰে। তাৰ পাছতে জয়ন্ত বৰাক লৈ সাংসদ গৌৰৱ গগৈ উপস্থিত হয় বিহালীত। গৌৰৱ গগৈয়ে বিৰোধীৰ মিত্ৰজোঁট অসম সন্মিলিত মৰ্চাত ভাঙোন অনা বুলি উত্থাপিত অভিযোগৰ উত্তৰ দিয়ে। গৌৰৱ গগৈয়ে কয় যে বিহালী আৰু অন্য চাৰিটা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ অসম সন্মিলিত মৰ্চাৰ মাজত চৰ্চা চলি আছিল। সকলোৰে উদ্দেশ্যে এটাই যে আমি অসমৰ জনসাধাৰণক এটা বিকল্প পথ দেখুৱাবলৈ সক্ষম হ'ব লাগে। লগতে বিজেপি দলকো যাতে হৰুৱাব পৰা যায়, তাৰ বাবে এটা প্ৰচেষ্টা হাতত ল'ব লাগে। বিভিন্ন কাৰণত সেয়া নহ'ল। পূৰ্বে তেনে ফলাফল বিচৰা বুলি উল্লেখ কৰি সাংসদ গগৈয়ে কয় যে যিয়ে নহওক পূৰ্বে আমি যিটো ফলাফল বিচাৰিছিলো, তেনে ফলাফল পাবলৈ সক্ষম নহ'লো। আমি পুনৰাই বিৰোধী দলৰ নেতাবোৰ একত্ৰিত হম আৰু তাত আমি কথাবোৰ আলোচনা কৰিম। আজিৰ তাৰিখত বিহালীত এজন কংগ্ৰেছৰ প্ৰাৰ্থী থিয় কৰোৱা গৈছে। সকলোৰে আমি বিহালী অঞ্চলত নামি ৰাইজৰ আকাংক্ষা অনুসৰি বিজেপি দলটোক পৰাজিত কৰিবলৈ চেষ্টা কৰিম। আমি জানো যে জয়ন্ত বৰাক কংগ্ৰেছৰ টিকট প্ৰদানৰ পাছতে বিজেপিৰ মন্ত্ৰী আৰু উচ্চস্তৰীয় নেতাই দমন আৰু ভাবুকি দিব। পুলিচ-প্ৰশাসনৰ জৰিয়তে হেঁচা দিবলৈ চেষ্টা কৰিব। কিন্তু তেওঁ স্থিৰ হৈ আছে। তেওঁ কৈছে যে বিহালী অঞ্চলৰ ৰাইজে এজন স্থানীয় নেতা বিচাৰে। মাটিৰ সৈতে সম্পৰ্ক থকা নেতা বিচাৰে। সেই কাৰণ তেওঁ বিহালী অঞ্চলৰ লোকক বিশ্বাসঘাতকতা কৰিব নোৱাৰে। বিহালী অঞ্চলৰ ৰাইজৰ প্ৰতি যথেষ্ট শ্ৰদ্ধা আছে আৰু মৰম কৰে। গৌৰৱ গগৈয়ে বিহালীৰ কংগ্ৰেছ কৰ্মীক জানে-প্ৰাণে লাগি যোৱাৰ আহ্বান জনাই কয় যে আমি জয়ন্ত বৰাক জয়ী কৰাবলৈ জানে প্ৰাণে চেষ্টা কৰিম। চামগুৰি, বঙাইগাঁও, ছিদলী, ধলাই আৰু বিহালীত বিজেপিয়ে দেখুৱাই থকাৰ দৰে বিজেপি শক্তিশালী নহয়, বিজেপিয়ে নিজকে যেনেদৰে শক্তিশালী বুলি দেখাই কিন্তু তেনেদৰে শক্তিশালী হৈ থকা নাই। আমি ভালদৰে খোজকাঢ়ি গৈ থাকিলে ৰাইজৰ আশীৰ্বাদ আমাৰ লগত থাকিব বুলি দোহাৰে সাংসদ গগৈয়ে। সাংবাদিকে কেইখন আসন লাভ কৰিব বুলি সেধা প্ৰশ্নৰ উত্তৰ দি গৌৰৱ গগৈয়ে কয় যে আসন লাভ কৰাটো কষ্টৰ ওপৰত নিৰ্ভৰ কৰে। কষ্ট কৰিলে আমি ফল পাম। কষ্ট নকৰিলে ফল নাপাম। প্ৰথমে কষ্ট কৰিব লাগিব। ফলাফলৰ আশা আমি পিছতহে কৰিম। সাংসদ গৌৰৱ গগৈয়ে জয়ন্ত বৰাক কাষত বহুৱাই বিশ্বনাথত সভাৰ আয়োজন কৰি আৰু কয় যে চামগুৰিৰ দৰে বিহালীতো বিজেপিৰ গুণ্ডাবাহিনীৰ অৱসান ঘটিব। কংগ্ৰেছে নগাঁৱৰ সমদলৰ বাবে পূৰ্বে জিলা প্ৰশাসনৰ অনুমতি লৈছিল। সেই একেটা দিনতে একে পথৰে দুটাকৈ ৰাজনৈতিক দলক সমদল উলিয়াবলৈ কিয় অনুমতি প্ৰদান কৰিলে বুলি নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আৰু প্ৰশাসনক প্ৰশ্ন কৰে গৌৰৱ গগৈয়ে। বিহালী আৰু ছিদলী সমষ্টিত কংগ্ৰেছে বহু দিনৰ মূৰত নিজৰ প্ৰতীক চিহ্ন উভতাই পাইছে বুলিও কয় সাংসদগৰাকীয়ে। ইফালে, সভাত জয়ন্ত বৰাই কয় যে বিজেপি দলে আশা দি প্ৰতাৰণা কৰাৰ বাবে মই মোৰ মাতৃক হেৰুৱালো। এতিয়া ৰাইজে বিজেপিক ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলিও তেওঁ কয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেংকক ভ্ৰমণ! ডিম্পুক এজেন্সীয়ে

প্ৰবঞ্চনা কৰি আহিছে বুলি সময়ে সময়ে উত্থাপিত হৈ অহা অভিযোগে এইবাৰ লাভ কৰিছে বিশেষ চৰ্চা। অসংখ্যজনক ঠগ-প্ৰৱঞ্চনা কৰি নিৰ্বিঘ্নে ব্যৱসায় চলাই যোৱা এনে ট্ৰেভেল এজেন্সীৰ কবলত পৰি বিদেশত হাবু-ডুবু খাবলগীয়া হৈছে অসমৰ জনপ্ৰিয় ইউটিউবাৰ ডিম্পু বৰুৱাই। নিজেই ইউটিউব আৰু ফেচবুক ভিডিঅ'ৰ জৰিয়তে ট্ৰেভেল এজেন্সীৰ প্ৰতাৰণাৰ বলি হৈ কিদৰে বিদেশৰ মাটিত নগুৰ-নাকটিৰ সন্মুখীন হ'বলগীয়া হ'ল সেয়া বৰ্ণনা কৰাত এতিয়া অনুৰাগীসকলো হতবাক হৈ পৰিছে। জনপ্ৰিয় ব্যক্তিসকলকেই যদি এনেকৈ প্ৰৱঞ্চনা কৰিব পাৰিছে তেন্তে সাধাৰণ লোকসকলৰ ক্ষেত্ৰত প্ৰৱঞ্চনাই আৰু কি পৰ্যায়লৈ যাব পাৰে সেই লৈয়ো প্ৰশ্ন উত্থাপিত হৈছে। ভিডিঅ'ত ইউটিউবাৰগৰাকীয়ে প্ৰকাশ কৰা মতে সম্প্ৰতি এগৰাকী বন্ধুৰ সৈতে দক্ষিণ পূব এছিয়া ভ্ৰমণত ব্যস্ত হৈ থকাৰ সময়তে ট্ৰেভেল এজেন্সীৰ দুই নম্বৰী কাৰ্যৰ বাবে অনাকাংক্ষিত পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে। থাইলেণ্ডৰ বেংকক ভ্ৰমণ সামৰি মালয়েছিয়াৰ লংকাৱি আইলেণ্ডলৈ যাবলৈ লোৱাৰ সময়তে ট্ৰেভেল এজেন্সীৰ ৰামঠগন খোৱাৰ কথা জানিব পাৰে ডিম্পুৱে। এজন লোকে দিয়া উপহাৰ গ্ৰহণ কৰি ডিম্পু গুৱাহাটীৰ পৰা বিমানেৰে উৰা মাৰিছিল মালয়েছিয়ালৈ। বন্ধুৰ সৈতে মালয়েছিয়াৰ কুৱালালামপুৰত উপস্থিত হৈ অন্য এখন বিমানেৰে লক্ষ্যস্থান লংকাৱি নামৰ দ্বীপটোলৈ যাবলৈ লোৱাৰ সময়তে এয়াৰ এছিয়াৰ কাউণ্টাৰত প্ৰৱেশ কৰি জানিব পাৰে যে যি টিকট ট্ৰেভেল এজেন্সীটোৱে যোগান ধৰিছিল সেয়া আছিল ভুৱা টিকট। কেৱল ইমানেই নহয়, কুৱালালামপুৰৰ পৰা থাইলেণ্ডৰ বেংককলৈ অহা টিকটো আছিল নকল। লগে লগে উপহাৰ দিয়া ব্যক্তিজনলৈ সবিশেষ বিৱৰি ক'লে। ব্যক্তিজনে ট্ৰেভেল এজেন্সীটোৰ সৈতে যোগাযোগ কৰিলে যদিও কোনোধৰণৰ সঁহাৰি নাহিল। সম্প্ৰতি বিদেশতে থকা ডিম্পুৱে অসমত ভৰি থৈয়েই উক্ত ট্ৰেভেল এজেন্সীটোৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলিও ভিডিঅ'টোত জানিবলৈ দিছে। অৱশ্যে ভিডিঅ'টোত এজেন্সীটোৰ নাম প্ৰকাশৰ পৰা বিৰত আছে ডিম্পু বৰুৱা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশিষ্ট বিজ্ঞানী ড০ গৌৰাংগ আৰু

প্ৰাধ্যাপক ড০ গৌৰাংগধৰ বৰুৱাৰ ভাৰত ভূমিজ পথস্থিত নিজা বাসভৱনত বুধবাৰে নিশা প্ৰায় ২ বজাত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। ১৯৪৩ চনৰ ১ মাৰ্চ তাৰিখে জন্মগ্ৰহণ কৰা ড০ বৰুৱাই ১৯৫৭ চনত হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত আইএছচিত নামভৰ্তি কৰি ১৯৫৯ চনত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ১৯৬২ চনত কটন মহাবিদ্যালয়ৰ পৰা বিএছচি আৰু ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিদ্যা বিষয়ত প্ৰথম বিভাগত এমএছচিত উত্তীৰ্ণ হৈছিল। সেই বছৰতে তেওঁ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলিছিল। ১৯৬৫ চনত ন'বেল বঁটা বিজয়ী ছাৰ চি ভি ৰমণৰ দ্বাৰা অনুপ্ৰাণিত হৈ আৰু উপদেশ গ্ৰহণ কৰি বেনাৰস হিন্দু বিশ্ববিদ্যালয়লৈ গৱেষণাৰ বাবে যোৱা ড০ বৰুৱাই ১৯৬৯ চনত উক্ত বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী অৰ্জন কৰে। ১৯৭৩ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰাৰ পূৰ্বে যোৰহাটৰ বিজ্ঞান মহাবিদ্যালয় (বৰ্তমানঃ নৰ্থ ইষ্ট ইনষ্টিটিউট অফ  ছায়েন্স এণ্ড টেকনলজী)তো শিক্ষকতা কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৩৫ বছৰে কৃতিত্বৰে শিক্ষকতা কৰা ড০ বৰুৱাই ১৯৭৩-৭৬ চনলৈ প্ৰবক্তা, ১৯৭৬-৮৭ চনলৈ ৰিডাৰ, ১৯৮৭-২০০৫ চন পৰ্যন্ত প্ৰাধ্যাপক আৰু ২০০৫-০৮ লৈকে বৰ্ধিত সময়ৰ বাবে দায়িত্ব গ্ৰহণ কৰিছিল। ২০০৫-২০০৮ বৰ্ষত অল ইণ্ডিয়া কাউন্সিল ফৰ টেকনিকেল এডুকেচন (AICTE)ৰ এমেৰিটাচ ফে'লৰ মনোনয়ন লাভ কৰা ড০ বৰুৱাই ২০০৮-২০১১ বৰ্ষত ইউজিচিৰো মনোনয়ন লাভ কৰিছিল। ১৯৯৭ চনত হায়দৰাবাদত অনুষ্ঠিত হোৱা ৮৫ সংখ্যক ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ পদাৰ্থ বিজ্ঞান শাখাৰ সভাপতি হিচাপেও নিৰ্বাচিত হোৱা ড০ বৰুৱাই ২০০৯-২০১৪ ৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আচাৰ্যৰ মনোনীত সদস্য আছিল। ২০০৫ চনত INCONS বঁটা লাভ কৰা ড০ বৰুৱাই ১৯৭২ চনত ইণ্ডিয়ান একাডেমী অৱ ছায়েন্স, বাংগালোৰৰ দ্বাৰাও পুৰস্কৃত হৈছিল। লেজাৰ এণ্ড স্পেক্ট্ৰস্কপি ছচা'ইটী অৱ ইণ্ডিয়া আৰু ছচা'ইটী ফৰ লেজাৰ এণ্ড অপটিকেল ছায়েন্সৰ সভাপতিৰ আসন অলংকৃত কৰা চাহ নগৰী ডুমডুমাৰ অন্যতম সুসন্তান, নীৰৱ বিজ্ঞানী ড০ গৌৰাঙ্গধৰ বৰুৱাই শ্ৰেণীকোঠাৰ শিক্ষাদানতেই সীমাবদ্ধ থকা নাছিল, গৱেষণাৰ পথাৰতো সোণোৱালী বাট বুটলিছিল। তেওঁৰ গৱেষণাৰ মূল বিষয়বস্তু আছিল- মলিকুলাৰ স্পেক্ট্ৰস্কপি, লেজাৰ ফিজিক্স আৰু কোৱাণ্টাম অপটিক্স। তেখেতৰ তত্বাৱধানত প্ৰায় ৪০ জনে ডক্টৰেট ডিগ্ৰী আৰু ২৭ জনে এম ফিল পাবলৈ সক্ষম হৈছিল। তেখেতৰ ৩০০ ৰো অধিক গৱেষণাপত্ৰ বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় জাৰ্নেলত প্ৰকাশিত হৈছে। ২৯ গৰাকী সহযোগী গৱেষকৰ সৈতে তেখেতে পোনপ্ৰথমবাৰৰ বাবে আৱিষ্কাৰ কৰিছিল যে জোনাকী পৰুৱাৰ জীৱ অনুপ্ৰভৰ সূক্ষ্ম স্পন্দন প্ৰতি ছেকেণ্ডত ৩০,০০০। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী কেবাখনো গ্ৰন্থ ৰচনা কৰা বিজ্ঞানী ড০ গৌৰাঙ্গধৰ বৰুৱাই এগৰাকী মহান শিক্ষক তথা গৱেষক হিচাপে আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান প্ৰেক্ষাপটতো উজলি উঠিছিল নিজৰ দক্ষতাৰ বলত। ডুমডুমাৰ গৌৰৱ, প্ৰথিতযশা কোৱাণ্টাম বিজ্ঞানী ড০ গৌৰাঙ্গধৰ বৰুৱাৰ মৃত্যু ৰাজ্যবাসীৰ বাবে এক অপূৰণীয় ক্ষতি। পত্নী দীপ্তি বৰুৱা (ৰাজকুমাৰী)সহ এজন পুত্ৰ আৰু দুগৰাকী কন্যাক ইহ-সংসাৰত এৰি থৈ যোৱা বিজ্ঞানী ড০ বৰুৱাৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰিছে। তেওঁৰ মৃত্যুত ডুমডুমাবাসী আজি শোকস্তব্ধ, বাকৰুদ্ধ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰ্বোচ্চ ন্যায়ালয়ৰ পৰৱৰ্তী মুখ্য

অৰ্জুন মেঘৱালে। উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ৰ বৰ্তমানৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ কাৰ্যকাল অন্ত পৰিব অহা ১০ নৱেম্বৰত। কিন্তু তেওঁৰ শেষ কৰ্মদিন হৈছে ৮ নৱেম্বৰ। ইয়াৰ লগে লগে পৰৱৰ্তী মুখ্য ন্যায়াধীশ কোন হ'ব তাক লৈ জল্পনা-কল্পনা আৰম্ভ হৈছিল। এনে সময়তে মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে এসপ্তাহ পূৰ্বে তেওঁৰ পৰৱৰ্তী উত্তৰাধিকাৰী হিচাপে সঞ্জীৱ খান্নাৰ নাম প্ৰস্তাৱ কৰিছিল। কেন্দ্ৰীয় চৰকাৰলৈ এক প্ৰস্তাৱত মুখ্য ন্যায়াধীশ চন্দ্ৰচুড়ে কয় যে যিহেতু তেওঁ ১০ নৱেম্বৰত অৱসৰ গ্ৰহণ কৰিব সেয়ে ন্যায়াধীশ খান্না হ'ব তেওঁৰ উত্তৰাধিকাৰী। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ প্ৰস্তাৱত চৰকাৰে আজি অনুমোদন জনায়। চৰকাৰৰ অনুমোদন লাভ কৰাৰ পিছতে ন্যায়াধীশ সঞ্জীৱ খান্না দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হোৱাতো চূড়ান্ত হৈ পৰে। জানিব পৰা মতে, অহা ১১ নৱেম্বৰত ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিব সঞ্জীৱ খান্নাই। ন্যায়াধীশ খান্নাই ২০২৫ চনৰ ১৩ মে'ত অৱসৰ গ্ৰহণ কৰিব। অৰ্থাৎ তেওঁ ৬ মাহৰ কাৰ্যকাল পালন কৰিবলৈ সাজু হৈছে। উল্লেখ্য যে, ন্যায়াধীশ চন্দ্ৰচূড়ে ২০২২ চনৰ ৯ নৱেম্বৰত মুখ্য ন্যায়াধীশ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৫৯ চনৰ ১১ নৱেম্বৰত জন্মগ্ৰহণ কৰা ধনঞ্জয় যশৱন্ত চন্দ্ৰচূড় এগৰাকী ভাৰতীয় আইনবিদ, যি ২০২২ চনৰ নৱেম্বৰৰ পৰা সেৱা আগবঢ়োৱা ভাৰতৰ ৫০ সংখ্যক আৰু বৰ্তমানৰ মুখ্য ন্যায়াধীশ। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলে ৬৫ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰে। ইফালে ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ১৯৮৩ চনত দিল্লীৰ বাৰ কাউন্সিলৰ অধিবক্তা হিচাপে অংশগ্ৰহণ কৰে আৰু প্ৰথমতে তিছ হাজাৰী কমপ্লেক্সৰ জিলা আদালতত আৰু পাছত দিল্লী উচ্চ ন্যায়ালয় আৰু ন্যায়াধিকৰণত অনুশীলন কৰে। তেওঁক ২০০৫ চনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে উন্নীত কৰা হয় আৰু ২০০৬ চনত স্থায়ী ন্যায়াধীশ হিচাপে মনোনীত কৰা হয়। ন্যায়াধীশ খান্নাক ২০১৯ চনৰ ১৮ জানুৱাৰীত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে উন্নীত কৰা হৈছিল।

# অসম প্ৰেম! নগাঁৱত উপস্থিত ‘চামেলী মেমচাব’ৰ ভিক্টৰ বেনাৰ্জী

## পিতৃয়ে স্থাপন কৰা দৃষ্টিহীন বিদ্যালয় কৰিব পৰিদৰ্শন





**ই-সংবাদ, ২৪ অক্টোবৰঃ** অসমৰ সৈতে আন্তৰিক সম্পৰ্ক থকা বিশিষ্ট অভিনেতা ভিক্টৰ বেনাৰ্জীয়ে পুনৰ অসম ভ্ৰমণ কৰিবলৈ আহিছে। শেহতীয়াকৈ ভিক্টৰ বেনাৰ্জী অসুস্থ যদিও অসম প্ৰেমে তেওঁক পুনৰাই ৰাজ্যখনলৈ টানি আনিছে। আজি দুপৰীয়া গুৱাহাটী বিমান বন্দৰত উপস্থিত হৈ বেনাৰ্জীয়ে পোনে পোনে নগাঁৱত উপস্থিত হোৱা বুলি জানিব পৰা গৈছে। অসমত কিছু সময় কটোৱাৰ লগতে পিতৃয়ে স্থাপন কৰা নগাঁৱৰ দৃষ্টিহীন বিদ্যালয়খন পৰিদৰ্শন কৰিব বুলিও জানিব পৰা গৈছে। ভিক্টৰ বেনাৰ্জীৰ অসমৰ সৈতে আছে এক আত্মিক সম্পৰ্ক। পিতৃ ব্ৰিটিছৰ দিনত উজনি অসমৰ এটা চাহ কোম্পানীৰ পৰিচালক আছিল। তেতিয়াৰ বৰ অসম শ্বিলঙত জন্মগ্ৰহণ কৰি স্কুলীয়া শিক্ষা শ্বিলঙতে গ্ৰহণ কৰিছিল। ১৯৪৬ চনৰ ১৫ অক্টোবৰত জন্মগ্ৰহণ কৰা ভিক্টৰ বেনাৰ্জীয়ে কেইবাখনো কালজয়ী অসমীয়া বোলছবিত অভিনয় কৰিছে। অভিনেতাজনে অসমৰ বিখ্যাত ছবি চামেলী মেমচাহেবত অভিনয় কৰি অসমৰ দৰ্শকৰ মন জয় কৰিছিল। ৰোমান পোলানস্কি, জেমছ আইভৰী, ছাৰ ডেভিদ লীন, জেৰী লণ্ডন, ৰোনাল্ড নিয়াম, সত্যজিৎ ৰায়, মৃণাল সেন, শ্যাম বেনেগাল আৰু মণ্টাজুৰ ৰহমান আকবৰৰ দৰে পৰিচালকৰ সৈতে কাম কৰিছে। মৰাণৰ দৃষ্টিহীন বিদ্যালয়খন স্থাপন কৰিছিল বিশিষ্ট অভিনেতাজনৰ পিতৃয়ে। ১৯৭১ চনতে প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খন আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন অভিনেতা ভিক্টৰ বেনাৰ্জীয়ে পৰিচালনা কৰি আহিছে। ২০২২ চনতো অসমলৈ আহি ভিক্টৰ বেনাৰ্জীয়ে অসমলৈ আহি জনমংগল আদৰ্শ অন্ধ বিদ্যালয় পৰিদৰ্শন কৰিছিল। আদৰ্শ অন্ধ বিদ্যালয়ত উপভোগ কৰিছিল বিশেষভাৱে সক্ষম শিশুৰ নৃত্য-গীতৰ অনুষ্ঠান। ২০১৭ চনত মুক্তি পোৱা শৈশৱতে ধেমালিতে নামৰ অসমীয়া বোলছবি খনত বেনাৰ্জীয়ে অভিনয় কৰিছিল। তেখেতে ইংৰাজী, হিন্দী, বাংলা আৰু অসম চলচ্চিত্ৰত অভিনয় কৰি দৰ্শকক আপ্লুত কৰি গৈছে। ১৯৮৫ চনত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা, ২০২২ চনত ভাৰতৰ তৃতীয় সৰ্বোচ্চ অসামৰিক বঁটা পদ্মভূষণ সন্মানসহ বহু সন্মান লাভ কৰিছে ভিক্টৰ বেনাৰ্জীয়ে। অসম ভ্ৰমণৰত এইগৰাকী প্ৰথিতযশা অভিনেতাই আজি নগাঁৱৰ সাংসদ তথা কংগ্ৰেছ নেতা প্ৰদ্যুৎ বৰদলৈক সাক্ষাৎ কৰিছে। সাক্ষাতৰ অন্তত সাংসদ বৰদলৈয়ে এটা ফেচবুক পোষ্টত সাক্ষাৎতৰ কথা উল্লেখ কৰিছে। বৰদলৈয়ে কয় “দেউতাক ব্ৰিটিছৰ দিনতে উজনি অসমৰ চাহ কোম্পানীৰ এজন পৰিচালক আছিল। নিজে শ্বিলংৰ স্কুলত পঢ়িছিল যদিও বন্ধত ঘৰলৈ আহোতে সদায় চাহ বাগিচাৰ পৰিধি ভাঙি ভিতৰুৱা অসমীয়া গাঁও বিলাকত চাইকেল চলাই পিতপিতাই ঘুৰি ফুৰি ভাল পাইছিল। পিছলৈ কলকাতাত গৈ প্ৰথমে থিয়েটাৰ জগতত আৰু তাৰ পিচত বিশ্ববিশ্ৰুত চিনেমা পৰিচালক সত্যজিৎ ৰায়ৰ বোলছবিৰ এজন বিখ্যাত অভিনেতা হৈ পৰিল। ৰায়ৰ বঁটাবিজয়ী চিনেমা ঘৰে বাইৰে, সতৰঞ্জ-কে-খিলাড়ী আদিত দুৰ্দান্ত অভিনয় কৰি কেইবাটাও আন্তৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। অকল সত্যজিৎ ৰায়েই নহয়, ৰোমান পোলানস্কি, জেমচ আইভৰি, চাৰ ডেভিড লীন, মৃনাল সেন, শ্যাম বেনেগাল আদি পৃথিৱীৰ প্ৰায় সকলো বিলাক বিখ্যাত চলচিত্ৰ পৰিচালকৰ লগত কাম কৰি ভিক্টৰ বেনাৰ্জীয়ে অসংখ্য সন্মান আমাৰ দেশলৈ কঢ়িয়াই আনিছিল। বৰ্তমানে সদায় শোৱা কোঠাৰ পৰা হিমালয়ৰ শৃঙ্গ চাব পৰা মুচৌৰিত কেয়োে ওখ লেণ্ডুৰৰ নামে ঠাইত, ঠিক ছবিৰ দৰেই এটা কাঠৰ ঘৰ সাজি বসবাস কৰা ভিক্টৰ বেনাৰ্জী, প্ৰতি দুমাহে তিনিমাহে অসমলৈ আহে কাৰণ তেঁওৰ দেউতাকে প্ৰতিষ্ঠা কৰি যোৱা মৰাণ অন্ধ বিদ্যালয়খন আজিও তেঁও নিজে চোৱাচিতা কৰি আছে। মই অসমৰ বন আৰু পৰিবেশ মন্ত্ৰী হৈ থকা অৱস্থাত ‘ফ্ৰেণ্ডচ অব কাজিৰঙা’ নামৰ এটা স্বেচ্ছাসেৱী অনুষ্ঠান খুলিছিলো। য’ত সমগ্ৰ পৃথিৱীৰ চুকে-কোণে থকা, বন্যপ্ৰাণী ভাল পোৱা বিভিন্ন খ্যাত-অখ্যাত লোকে আহি নিজৰ সদস্যতা গ্ৰহণ কৰিছিল আৰু এই ভিক্টৰ বেনাৰ্জীয়েই এক সূত্ৰধাৰৰ ভূমিকা লৈ যোগাযোগ কৰা বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত থকা এইসকল কাজিৰঙা প্ৰেমীৰ সক্ৰিয় সহযোগত, নিজৰ শতবাৰ্ষিকী উদযাপন কৰা সময়তে ২০০৫ চনত কাজিৰঙাই শতিকাৰ এক শ্ৰেষ্ঠ সংৰক্ষণ কাহিনী হিচাপে বিৰল আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি বুটলি আনিবলৈ সক্ষম হৈছিল। আজি নগাঁৱৰ চামগুৰিত মিটিং কৰি থকা অৱস্থাতে হঠাতে ভিক্টৰ বেনাৰ্জীৰ পৰা পৰা ফোন পালো, বোলে এয়াৰপোৰ্টৰ পৰা পোনে পোনে তোমাৰ নগাঁৱলৈ যাম আৰু তোমাৰ তাতে দুপৰীয়াৰ আহাৰ খাম। কলো তুমি নগাঁৱৰ ফালে আগবাঢ়ি আহা। মোৰ সমষ্টিৰ সীমাত সোমায়েই ৰাস্তাৰ সোঁফালে আলহী ঘৰ খন পাবা, তাতে তোমাক কচু ঢেকীয়া শাকৰ আঞ্জাৰে অসমীয়া মাছ ভাত খুৱাম। বহু বছৰৰ পিছত সদায় ডিঙিত অসমীয়া আঁচুফুলৰ গামোচা আৰি মোদী ডাঙৰীয়া আৰু যোগেন্দ্ৰ যাদৱে ডিঙিত গামোচা লোৱাৰ বহু আগৰে পৰা দিহিঙে দিপাঙে ঘুৰি ফুৰা এইজন অসম প্ৰেমীক লগ পাবলৈ মই গুৱাহাটীৰ ফালে আগবাঢ়ি গলো।”

# ১০৮ কৰ্মীৰ গাফিলতি! মহিলাৰ মৃত্যুক লৈ উত্তপ্ত গড়মূৰৰ জিলা চিকিৎসালয়

**ই-সংবাদ, মাজুলী, ২৪ অক্টোবৰঃ** মাজুলীৰ স্বাস্থ্য আৰু চিকিৎসাৰ উন্নয়নৰ বাবে চৰকাৰে প্ৰতিষ্ঠা কৰা গড়মূৰস্থিত শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী জিলা চিকিৎসাখনত সঘনাই কিছুমান আজৱ ঘটনা সংঘটিত হৈ আহিছে। যোৱা নিশা সংঘটিত তেনে এটা ঘটনাৰ বাবে চিকিৎসালয়খনত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনা বিৱৰণী মতে, যোৱা নিশা গড়মূৰ নিবাসী দীপা বৰাক চিকিৎসাৰ বাবে ভৰ্তি কৰাইছিল গড়মূৰ জিলা চিকিৎসালয়ত। পেটৰ বিষত চটফটাই থকা দীপা বৰাক চিকিৎসকে পৰীক্ষা কৰি তাৎক্ষণিকভাৱে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ পৰামৰ্শ দিয়ে। কিন্তু ৰোগীৰ আত্মীয়ই ১০৮ লৈ বাৰে বাৰে ফোন কৰিও সঁহাৰি আৰু সমিধান নাপাই ওচৰৰ কোঠাত শুই থকা কৰ্মচাৰীক দুৱাৰত ঢকিয়াই উঠাব লগীয়া অৱস্থাৰ সৃষ্টি হয়। ভুক্তভোগী পৰিয়ালে জানিবলৈ দিয়া অনুসৰি ১০৮ৰ কৰ্মচাৰীয়ে বাবে বাৰে ফোন কৰাৰ পাছতো ফোন উঠোৱা নাছিল।দুৱাৰ ঢাকিয়াই উঠোৱাৰ পাছতো বিভিন্ন কথাৰে দায় সাৰিব বিচাৰে কৰ্মচাৰীয়ে। পিছত ৰোগীৰ মৃত্যু ঘটাত পৰিস্থিতি উতপ্ত হৈ পৰে। ১০৮ আহি পোৱা বিলম্ব হোৱাত মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ভুক্তভোগী পৰিয়ালে মৃত্যুকো তাৎচ্ছিল্য কৰা ১০৮ সেৱাৰ কৰ্মচাৰীসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভুক্তভোগীৰ পৰিয়ালৰ লগতে ৰাইজে দাবী জনাইছে। এচাম চিকিৎসা কৰ্মী, কৰ্মচাৰীৰ মইমতালিৰে চিকিৎসালয়খন চলি আছে বুলি অভিযোগ উঠিছে। আনকি বহু কেইগৰাকী নাৰ্চৰ ব্যৱহাৰতো ৰোগী ক্ষুণ্ণ হোৱা বুলি অভিযোগ উঠিছে। এই ক্ষেত্ৰত জিলা চিকিৎসালয়খনৰ অধীক্ষক আৰু কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।




## ধলাইৰ বিজেপি প্ৰাৰ্থী নিহাৰৰঞ্জনৰ মনোনয়ন দাখিল

# কংগ্ৰেছে মিত্ৰজোঁটেই নহয় বৰ অসমো ভাঙিছিলঃ জয়ন্তমল্ল

**ই-সংবাদ, শিলচৰ, ২৪ অক্টোবৰঃ** বৰাক উপত্যকাৰ কাছাৰ জিলাৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ধলাই সমষ্টিত বিজেপিয়ে আজি শক্তি প্ৰদৰ্শন কৰে। প্ৰাক্তন মন্ত্ৰী তথা সাংসদ পৰিমল শুক্লবৈদ্যৰ ঘনিষ্ঠ ধলাইৰ বিজেপি প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে আজি শক্তি প্ৰদৰ্শন কৰি মনোনয়ন দাখিল কৰিছে। শিলচৰৰ টাউন ক্লাবত আজি পুৱাৰ ভাগত কেইবা হাজাৰ লোকক একত্ৰিত কৰি এখন সভা অনুষ্ঠিত কৰে বিজেপি প্ৰাৰ্থী দাসে। সভাৰ পিছতে এক ৰেলী যোগে শিলচৰ চহৰস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ সাংসদ পৰিমল শুক্লবৈদ্য আৰু জয়ন্তমল্ল বৰুৱাৰ উপস্থিতিত নিহাৰ ৰঞ্জন দাসে মনোনয়ন দাখিল কৰে। কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই মনোনয়ন দাখিলৰ পাছতে পূৰ্বৰ ৰেকৰ্ড ভংগ কৰি এইবাৰ বিজেপিয়ে ধলাইত নিশ্চিত বিজয়ী হ'ব বুলি কয়। মনোনয়ন পত্ৰ দাখিলতে ৰাইজে উৎসাহেৰে যিধৰণে ওলাই আহিছে সেই উৎসাহ দেখিয়েই ক'ব পাৰি যে ধলাইত বিজেপি জয়ী হ'ব। কাছাৰ জিলা বিজেপিৰ উপ-সভাপতি অমিয়কান্তি দাসে বিজেপি ত্যাগ কৰি নিৰ্দলীয় হিচাপে থিয় দিয়াত বিজেপিৰ কিবা ক্ষতি হ'ব নেকি বুলি সংবাদিকে প্ৰশ্ন কৰাত জয়ন্তমল্ল বৰুৱাই কয় যে বিজেপি দল প্ৰথমে ৰাষ্ট্ৰ, দ্বিতীয়তে দল আৰু তৃতীয়তে ব্যক্তিক গুৰুত্ব দিয়ে। কোনে কি কৰিছে সেয়া গুৰুত্বপূৰ্ণ নহয়। আনহাতে অসম সন্মিলিত মৰ্চাৰ পৰা কংগ্ৰেছ আতৰি অহাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মন্ত্ৰী বৰুৱাই এই মিত্ৰজোঁটে গঠনৰ পৰাই খেলিমেলি কৰি আহিছে বুলি দাবী কৰি কয় যে কংগ্ৰেছে সদায়েই ভাগ ভাগ কৰে। বৰ অসমখনকে কংগ্ৰেছে ভাগ ভাগ কৰিছিল। ইপিনে সাংসদ তথা ধলাই সমষ্টিৰ প্ৰাক্তন বিধায়ক পৰিমল শুক্লবৈদ্যই নিহাৰ ৰঞ্জন দাসক টিকট প্ৰদান কৰাত কেন্দ্ৰীয় আৰু ৰাজ্যিক বিজেপি নেতৃত্বলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি বিজয়ী হোৱাৰ দাবী কৰি সমৰ্পিত কৰ্মকৰ্তাক বিশেষ ধন্যবাদ জ্ঞাপন কৰে। মনোনয়ন পত্ৰ দাখিল কাৰ্যসূচীত অসম প্ৰদেশ বিজেপিৰ প্ৰভাৱী হিৰিশ দ্বিবেদী, কৃপানাথ মাল্লা উপস্থিত থাকে।

# সভাপতি হৈয়েই কংগ্ৰেছক প্ৰশ্ন সাংসদ অজিত ভূঞাৰ

**ই-সংবাদ, শিৱসাগৰ, ২৪ অক্টোবৰঃ** অসম সন্মিলিত মৰ্চাৰ আন দল সমূহক কংগ্ৰেছ দলে অপমান কৰাৰ বাবে আজি শিৱসাগৰত সাংসদ অজিত কুমাৰ ভূঞাক সৰৱ হোৱা দেখা যায়। আজি শিৱসাগৰত আয়োজিত এক সংবাদ মেলত সাংসদ অজিত কুমাৰ ভূঞাই কয়, 'কালিলৈকে বিজেপি কৰা জয়ন্ত বৰাই কংগ্ৰেছ দলত যোগদান নকৰাকৈ কেনেকৈ কংগ্ৰেছ দলৰ টিকট লাভ কৰিলে? অসম সন্মিলীত মৰ্চাৰ আন দলসমূহক কংগ্ৰেছে কৰা এই চূড়ান্ত অপমানৰ উত্তৰ দিয়া হ'ব।' বিহালী সমষ্টিক লৈ কংগ্ৰেছ দলে সন্মিলীত মৰ্চাৰ প্ৰাৰ্থী চিপিআই দলৰ বিবেক দাসৰ সলনি জয়ন্ত বৰাক প্ৰাৰ্থীত্ব প্ৰদান কৰাক লৈ অসন্তুষ্ট আঞ্চলিক দল। যাৰ বাবে এতিয়া বিহালী সমষ্টিকে ধৰি উপ-নিৰ্বাচনৰ আন চাৰি সমষ্টিত বিৰোধী মঞ্চৰ হৈ প্ৰাৰ্থী প্ৰদানৰ চিন্তা কৰিছে আঞ্চলিক শক্তিয়ে। ৰাহুল গান্ধীৰ আদৰ্শবাদী ৰাজনীতিৰ বিৰুদ্ধে ভূপেন বৰা বাহিনীয়ে কাম কৰিছে। জয়ন্ত বৰাৰ টকা আছে বাবেই টকাৰ বাবে আদৰ্শ জলাঞ্জলি দিছে কংগ্ৰেছ দলে।এ ই উপ-নিৰ্বাচনত ৰং দেখাইছে কংগ্ৰেছ দলে।' আগন্তুক বিধান সভা নিৰ্বাচনত কংগ্ৰেছ দলে কি কৰিব বুলি প্ৰশ্ন কৰে ভূঞাই। তেওঁ কয়, 'সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত বিৰোধী সন্মিলিত শক্তি অবিহনে কংগ্ৰেছ প্ৰাৰ্থী জয়ী হ'ব নোৱাৰিলে হয়। স্বয়ং যোৰহাট লোকসভা সমষ্টিত বিৰোধী শক্তি অবিহনে পৰাজিত হ'ল হয় গৌৰৱ গগৈ।' বিহালী সমষ্টিক লৈ বিৰোধী শক্তিক তীব্ৰ অপমানৰ বাবে কংগ্ৰেছ দলে ইয়াৰ ফলাফল লাভ কৰিব বুলি আজি সাংসদ অজিত কুমাৰ ভূঞাই সংবাদ মেলত ঘোষণা কৰে। উল্লেখ্য যে আজি অজিত ভূঞাক সন্মিলিত মৰ্চাৰ নতুন সভাপতি পতা হৈছে।

# কহুৰাত প্ৰশিক্ষণ শিবিৰ মুকলি বস্ত্ৰ দপ্তৰৰ মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ



**ই-সংবাদ, কাজিৰঙা, ২৪ অক্টোবৰঃ** কাজিৰঙাৰ কহুৰাত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় ৰেচম বৰ্ডৰ উদ্যোগত আজিৰ পৰে ৰেচম হস্ততাঁত বয়নশিল্পৰ বিশেষ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। আজি কেন্দ্ৰীয় বস্ত্ৰ দপ্তৰৰ মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৰেচম হস্ততাঁত বয়নশিল্পৰ প্ৰশিক্ষণ আৰু উদগণি কাৰ্যসূচী উদ্বোধন কৰে। এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় উদ্যানখনৰ আশ-পাশৰ গাঁৱৰ প্ৰায় দুই শতাধিক বয়ন শিল্পী উপস্থিত থাকে। প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰি কেন্দ্ৰীয় বস্ত্ৰ দপ্তৰৰ মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে কেন্দ্ৰীয় ৰেচম বৰ্ডৰ 'সমৰ্থ' আঁচনিৰ দ্বাৰা কাজিৰঙাৰ বনভূমিৰ প্ৰান্তৰৱৰ্তী এলেকাৰ মহিলা আৰু পুৰুষ বয়নশিল্পীৰ দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। কাঠ-শিল্পীৰ বাবে গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ন কৰা হৈছে। বিশেষ প্ৰশিক্ষণৰ দ্বাৰা কাজিৰঙাৰ দাঁতি-কাষৰীয়া এলেকাৰ বাসিন্দাসকলৰ উপাৰ্জন-সংস্থাপনৰ সুযোগ পাব বুলি কয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। থলুৱা ৰেচম তথা হস্তশিল্পৰ প্ৰতি দেশ-বিদেশৰ পৰ্যটকসকলৰ মনোযোগ আকৰ্ষণত আৰু অধিক অৰিহণা যোগাব বুলিও কয় পবিত্ৰ মাৰ্ঘেৰিটাই। কহুৰাস্থিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান শতবাৰ্ষিকী সন্মিলন কেন্দ্ৰত ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰান্তৰৱৰ্তী গাঁৱৰ বয়নশিল্পীসকলৰ বাবে আয়োজিত ৰেচম হস্ততাঁত বয়নশিল্পৰ প্ৰশিক্ষণ আৰু উদগণি কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, উৰ্খাও গীৱা ব্ৰহ্ম, সাংসদ কামাখ্যা প্ৰসাদ, অসম চৰকাৰৰ হস্ততাঁত-বস্ত্ৰ বিভাগৰ সচিব দিলীপ কুমাৰ বৰা, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ সদস্য সচিব পি শিৱকুমাৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ড০ সোণালী ঘোষ, গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্ত, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক সঞ্চালক এইচ কে বড়ো, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিং উপস্থিত থাকে।

## মাজুলীৰ নদীদ্বীপ ভূ-ঐতিহ্যৰ স্বীকৃতিৰ ফলক উদঘাটন

# মাজুলীক ভূ-ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা, উৎফুল্লিত মাজুলীবাসী

**ই-সংবাদ, মাজুলী, ২৪ অক্টোবৰঃ** মাজুলীৰ ভৌগলিক ঐতিহ্যক সংৰক্ষিত আৰু সুৰক্ষিত কৰাৰ প্ৰয়াস চলাইছে ভাৰত চৰকাৰৰ ভূ-তত্ব মন্ত্ৰালয়ে। মাজুলীয়ে স্বীকৃতি পালে ভূ-ঐতিহ্য ক্ষেত্ৰ হিচাপে। এই খবৰে উৎফুল্লিত কৰি তুলিছে মাজুলীবাসীক। ভাৰতীয় ভূ-তাত্বিক জৰীপ বিভাগৰ, অসম ৰাজ্যিক গোটৰ সঞ্চালক শুভাশিস ৰায়চৌধুৰী, বিভাগীয় সঞ্চালক প্ৰধান সমপ্ৰকাশ চাহু, জ্যেষ্ঠ ভূ-তত্ববিদ মৌচম কাশ্যপ, ভূ-তত্ব জৰীপ বিভাগৰ বিষয়া ক্ৰমে ড০ সৌৰকপাম সুজাতা, লক্ষী পাত্ৰ, শিপ্ৰা নেগী, তপন পাটোৱাৰী, জ্ঞানজ্যোতি পেগুৱে মাজুলীৰ বিভিন্ন স্থানত ভাৰত চৰকাৰৰ ভূ-তত্ব মন্ত্ৰালয়ৰ প্ৰতিনিধি কেইগৰাকীয়ে ইতিমধ্যে জৰীপ চলাইছে। উক্ত প্ৰতিনিধি দলটোৱে মাজুলীক বৃহত্তম নদীদ্বীপ হিচাপে চিহ্নিত কৰিছে। ভূ-ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰাৰ লগে লগে মাজুলীৰ ভৌগোলিকভাৱে সুৰক্ষাৰ দায়িত্ব ল'ব কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ ভূ-তত্ব মন্ত্ৰালয়ে। মাজুলীত জৰীপ কৰি থকা প্ৰতিনিধি দলটোৱে মাজুলী নদীদ্বীপৰ বান-খহনীয়া আৰু সংৰক্ষণৰ সন্দৰ্ভত তথ্য-সম্বলিত চিত্ৰ সংগ্ৰহ কৰাৰ লগতে এই সম্পৰ্কে ভাৰতীয় ভূ-তাত্বিক জৰীপ সন্থাই কৰা বিভিন্ন গৱেষণা তথা হাতত লোৱা পদক্ষেপৰ কথা মাজুলী মহাবিদ্যালয়ত ২৩ অক্টোবৰত অনুষ্ঠিত এখন সভাত অৱগত কৰিছিল। আজি প্ৰতিনিধি দলটোৱে কমলাবাৰী ঘাটত মাজুলীৰ নদীদ্বীপ ভূ-ঐতিহ্যৰ স্বীকৃতিৰ ফলক উদঘাটন কৰে। এই স্বীকৃতিয়ে মাজুলীৰ বান, গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। মাজুলীক ভূ-ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰাত উৎফুল্লিত হৈ পৰিছে মাজুলীবাসী। মাজুলীৰ দল-সংগঠনে আদৰণি জনাইছে এই প্ৰদক্ষেপক। মাজুলীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে এই প্ৰদক্ষেপক আদৰণি জনাই কয় যে মাজুলীক নতুনকৈ যি ভূ-ঐতিহ্য ঘোষণা কৰিলে, চৰকাৰৰ এই পদক্ষেপক হাৰ্দিক শুভেচ্ছা জনাইছো। আমি ইয়াৰ পৰা আশা কৰিব পাৰো যে মাজুলীক সুৰক্ষিত হোৱাৰ পৰা অত্যন্ত সহায় কৰিব। তেওঁ আৰু কয় যে আমি এই কথাটো ক'বই লাগিব - বৰ্তমান চৰকাৰখনে যিবিলাক দৃষ্টান্তমূলক আদৰ্শ ধৰি ৰাখিছে এইটো আমাৰ সমাজ জীৱনৰ কাৰণে সাহসৰ কথা। মাজুলীবাসীৰ বাবে সৌভাগ্যৰ কথা মাজুলীক ভূ-ঐতিহ্য হিচাপে ঘোষণা কৰা হৈছে। আমি ভাবো এনেবোৰ কথাই আমাৰ সমাজখনতো ৰক্ষা কৰিবই আৰু আমাকো সাহস দিব। মাজুলীবাসী ৰাইজে বানপানীৰ সময়ত ককবকাই থাকিব লাগে, আজি যি ভূ-ঐতিহ্যৰ স্বীকৃতি দিছে, সেয়াই আমাক সাহস দিছে। মাজুলীৰ ৰাইজে আজি দুগুণে সাহস লাভ কৰিছে। পুনৰবাৰ চৰকাৰৰ এই চিন্তাৰ শলাগ লৈছো বুলি সত্ৰাধিকাৰগৰাকীয়ে উল্লেখ কৰে।



তাঞ্জিল হুছেইনৰ মনোনয়ন দাখিল পৰ্বত গৌৰৱ গগৈ, ৰকিবুল হুচেইন আৰু দেৱব্ৰত শইকীয়া

# মৰিগাঁৱত ৰাজহ চক্ৰ বন্ধৰ সিদ্ধান্ত বাতিলৰ দাবীত প্ৰতিবাদ

**ই-সংবাদ, মৰিগাঁও, ২৪ অক্টোবৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰু ভূৰাগাঁও ৰাজহ চক্ৰ দুটা ৰাজ্য চৰকাৰে বন্ধ কৰাৰ বাবে লোৱা সিদ্ধান্ত শীঘ্ৰে বাতিল কৰাৰ দাবীত আজি মিকিৰভেটা আঞ্চলিক ছাত্ৰ সন্থাই মিকিৰভেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীৰ অন্তত মিকিৰভেটা ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক পত্ৰও প্ৰদান কৰে। আনহাতে, একেই দাবীতে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ হাবিবৰঙাবাৰী আঞ্চলিক সমিতিয়ে আজি মিকিৰভেটা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ৬৫ খনকৈ বিশাল ৰাজহ গাঁৱৰে গঠিত এটা ৰাজহ চক্ৰ বন্ধ কৰি দিয়াৰ সিদ্ধান্ত গৰিহণা যোগ্য আৰু অঞ্চলবাসীয়ে মানি ল'ব নোৱাৰে বুলি উল্লেখ কৰি অসম চৰকাৰ এনে হঠকাৰী সিদ্ধান্তৰ তীব্ৰ বিৰোধীতা কৰে যুৱ-ছাত্ৰ সংগঠনটোৱে। এনে সিদ্ধান্ত বাতিল কৰি পূৰ্বৰ দৰে বাহাল ৰাখিবলৈ স্মাৰক পত্ৰৰ জৰিয়তে চৰকাৰক দাবী জনায়।

## মিকিৰভেটাত আটক হ'ল প্ৰৱঞ্চক কমল নাথ

# হাউছিং ব'ৰ্ডৰ ঘৰ দিয়াৰ নামত লক্ষাধিক টকা আত্মসাৎ

**ই-সংবাদ, মৰিগাঁও, ২৪ অক্টোবৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষীয়ে আজি কমল নাথ নামৰ এজন কুখ্যাত প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। প্ৰাপ্ত তথ্য মতে, গুৱাহাটীত হাউচিং ব'ৰ্ডৰ এটা ফ্লেট দিয়াৰ নামত প্ৰশান্ত শইকীয়া নামৰ চি আৰ পি এফৰ এজন বিষয়াৰ পৰা ৬৫ লাখ টকা আদায় কৰি লৈছিল এই প্ৰৱঞ্চকটোৱে। ইয়াৰ উপৰি গুৱাহাটীৰ ভেটাপাৰাত অসম ৰাজ্যিক হাউছিং ব'ৰ্ডৰ গৃহ আৱণ্টন দিয়াৰ নামত কেবাজনো চি আৰ পি এফ জোৱানৰ পৰা লাখ লাখ টকা সংগ্ৰহ কৰিছিল ধৃত কমল নাথে। ভুক্তভোগী কেইজনৰ অভিযোগ মতে, অসম ৰাজ্যিক হাউছিং ব'ৰ্ডৰ গৃহ দিয়াৰ প্ৰলোভন দি কমল নাথে উক্ত জোৱান কেইজনৰ পৰা কেবালাখ আদায় লৈছিল। ইয়াৰ পিছতে এই চৰকাৰী গৃহ আৱণ্টনৰ এখন ভুৱা তালিকা বিষয়া তথা জোৱান কেইজনক দেখুৱাইছিল কমল নাথে। কিন্তু শেহতীয়াকৈ হাউছিং ব'ৰ্ডৰ গৃহকেইটা তেঁওলোকক দেখুৱাই সেই গৃহৰ চাবি শীঘ্ৰেই চমজাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰে পৰা অন্তৰ্ধান হৈ আছিল কমল নাথ। ধন আদায় দিয়াৰ পিছতো ফ্লেট নোপোৱা এই লোকসকলে অৱশেষত মৰিগাঁও জিলাৰ মিকিৰভেটাৰ এই কমল নাথৰ বিৰুদ্ধে মকিৰিভেটা আৰক্ষী থানাত এক লিখিত অভিযোগ দাখিল কৰাত আৰক্ষীয়ে এই সন্দৰ্ভত ১৪০/২০২৪ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি পলাতক প্ৰৱঞ্চকটোৰ সন্ধানত অভিযান অব্যাহত ৰাখিছিল। অৱশেষত আজি আৰক্ষীয়ে প্ৰৱঞ্চকটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে সদৌ অসম যোগী যুৱ পৰিষদৰ প্ৰাক্তন সম্পাদক কমল নাথ কেতিয়াবা যদি ভুৱা চি বি আই বিষয়া হৈ গ্ৰেপ্তাৰ হৈছে, আকৌ কেতিয়াবা গ্ৰেপ্তাৰ হৈছে ধন দাবীৰ গোচৰত। মুঠৰ ওপৰত ঠগ-প্ৰৱঞ্চনাৰে কেবাবাৰো অভিযুক্ত হৈ গ্ৰেপ্তাৰ হৈছিল এইগৰাকী কমল নাথ। এশ গৰু মাৰিলে বাঘৰো মৰণৰ লেখীয়াকৈ এইবাৰ কমল নাথ গ্ৰেপ্তাৰ হয় প্ৰৱঞ্চনাৰ অভিযোগত।

## গড়গাওঁ কলেজৰ অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু

# সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, শিৱসাগৰ, ২৪ অক্টোবৰঃ** সময়ৰ লগত খাপ খুৱাই ৰূপান্তৰৰ ফালে আগবঢ়া অসমৰ শিক্ষা-ব্যৱস্থাৰ উত্তৰণত সকলোৰে সহযোগিতাৰ প্ৰয়োজন আছে। নাকৰ মূল্যায়ন, শিক্ষাৰ আঁচনি আদি নতুন নতুন পদক্ষেপৰ জৰিয়তে বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থা দেশৰ ভিতৰতে অগ্ৰণী শিক্ষা ব্যৱস্থা হ'বলৈ গৈ আছে।- সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এই মন্তব্য আগবঢ়ায় অসমৰ শিক্ষামন্ত্ৰী মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তেওঁ লগতে কয় যে শিল্প বিপ্লৱৰ বাবে বৰ্তমান সময়ত অহা দ্ৰুত পৰিৱৰ্তনসমূহ আৰু ব্যৱস্থাসমূহত শিক্ষক-কৰ্মচাৰী সকলো অভ্যস্ত হোৱাৰ প্ৰয়োজন আছে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে ক'বলৈ গৈ মহাবিদ্যালয় কৰ্মচাৰীৰ কৰ্ম বিভাজন আৰু অনুপাত তথা শিক্ষক-ছাত্ৰৰ অনুপাতত সংস্কাৰ অনাৰ ইংগিত দিয়ে। লগতে মহাবিদ্যালয়ৰ মূল্যায়ন প্ৰক্ৰিয়াৰ পৰিৱৰ্তন অনাৰ পোষকতা কৰে। আজিৰ সভাতে তেওঁ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ পুৰণি সমস্যাসমূহ যথাসম্ভৱ আলোচনাৰ মাধ্যমেৰে সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আজিৰ সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় অধিৱেশনৰ মুকলি সভাৰ পোনতে সভাৰ আদৰণী ভাষণ প্ৰদান কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ, কবি ড০ সব্যসাচী মহন্তই। আদৰণী ভাষণত ড০ মহন্তই শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুকে প্ৰমুখ্যে কৰি সকলো অভ্যাগতক মহাবিদ্যালয়লৈ আদৰণি জনায়। মুকলি সভা উদ্বোধন কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বুঢ়াগোহাঁয়ে। মুকলি সভা উদ্বোধন কৰি তেওঁ কৰ্মচাৰীসকলৰ অৱদান আৰু সঁহাৰিয়ে এখন উচ্চ শিক্ষানুষ্ঠান আগবঢ়ি যোৱাত নিশ্চিতভাৱে সহায়ক হয় বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে সভাৰ সন্মানীয় অতিথি কৃষি মন্ত্ৰী অতুল বৰাই উপস্থিত থাকিব নোৱাৰাৰ বাবে লিখিত ৰূপত তেওঁৰ শুভেচ্ছা বাণী প্ৰেৰণ কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা দেৱযানী বকলীয়ালে আঁত ধৰা মুকলি সভাত সদৌ অসম কৰ্মচাৰী সন্থাৰ সভাপতি ৰমণী ৰাজবংশী, গড়গাঁও মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিমান চন্দ্ৰ বৰুৱা, উপাধ্যক্ষ দিগন্ত কোঁৱৰ, শিক্ষক গোটৰ সভাপতি প্ৰণব দুৱৰা, অসম কলেজ শিক্ষক সন্থাৰ সভাপতি ড০ জয়ন্ত বৰুৱা, তেল আৰু প্ৰাকৃতিক গেছ নিগম, নাজিৰাৰ কাৰ্যবাহী সঞ্চালক ৰাজেশ কুমাৰ তিৱাৰী, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শইকীয়া, সদৌ অসম এন পি এচ কৰ্মচাৰী সন্থাৰ সভাপতি অচ্যুদানন্দ হাজৰিকাকে ধৰি বহুসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। এইবাৰৰ অধিৱেশনত কৰ্মচাৰী সন্থাৰ নতুন সভাপতিৰূপে তুলসী শইকীয়া আৰু সাধাৰণ সম্পাদক ৰূপে পুনৰবাৰ গৌতম গগৈ নিৰ্বাচিত হয়। গড়গাঁও মহাবিদ্যালয়ৰ আতিথ্যত অনুষ্ঠিত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখনি আজি সফলভাৱে সামৰণি পৰে। পতাকা উত্তোলনৰে আৰম্ভ অধিৱেশনখনিত প্ৰথম দিনাৰ বিয়লি ভাগত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ তিনি শতাধিক প্ৰতিনিধিৰ উপস্থিতিত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সন্ধিয়ালৈ বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ হোৱাৰ অন্তত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড০ দিগন্ত কোঁৱৰে সঞ্চালনা কৰা এক অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন কৰ্মচাৰীসকলৰ সম্বৰ্ধনা জনায়। প্ৰধান কাৰ্যসূচীৰূপে "উচ্চ শিক্ষা উত্তৰণত মহাবিদ্যালয়ৰ কৰ্মচাৰীসমূহৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়।

## ভুল চিকিৎসাৰ বলি!

# হোজাইৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকক অভিযোগ ভুক্তভোগীৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৪ অক্টোবৰঃ** হোজাইৰ মোৰাঝাৰৰ এগৰাকী ৰোগীৰ জীৱনলৈ অমানিশা নামি অহা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা অনুসৰি মোৰাঝাৰৰ উত্তৰ চাবাজপুৰৰ বিলাল উদ্দিনৰ পত্নী চমৰুন নেছা ভুল চিকিৎসাৰ বলি হয়। চমৰুনৰ যোৱা ৮ অক্টোবৰত পুৰা শাৰীৰিক অসুস্থতা দেখা দিয়াত তেওঁক মোৰাঝাৰ থানাৰ পৰা ১ কিঃ মিঃ নিলগৰ চৌধুৰী বজাৰ ৰোডত থকা খান ক্লিনিকলৈ লৈ যায়। তাত থকা ক্লিনিকৰ স্বত্বাধিকাৰী ডাঃ ফৰিদ খান নামৰ চিকিৎসকগৰাকীয়ে ৰোগীৰ সৰলতাৰ সুযোগ লৈ প্ৰথমে এটা বেজী দিয়ে আৰু তাৰ পাছতে বাওঁ ভৰিত থকা টিউমাৰ অপাৰেচন কৰে। ৰোগী আৰু তেওঁৰ স্বামী বিলালৰ অনুমতি নোলোৱাকৈ অপাৰেচন কৰে। অপাৰেচনৰ পিছতে স্বাস্থ্যৰ অৱনতি ঘটে চমৰুনৰ। পিছত উন্নত চিকিৎসাৰ বাবে হোজাইৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱাত চিকিৎসকে মূল শিৰা (নাৰ্ভ) কটা বুলি কয় আৰু উন্নত চিকিৎসাৰ পৰামৰ্শ দিয়ে। এতিয়া শাৰীৰিক অসুস্থতা ক্ৰমাৎ বৃদ্ধি পোৱাৰ লগে লগে ভৰিৰ তলৰ অংশ ফুলি যায়। এই চিকিৎসালয়খনৰ মালিকে নিজকে এম বি বি এছ, এম ডি বুলি পৰিচয় দিয়া ডাঃ ফৰিদ খানক বাৰে বাৰে ভুক্তভোগীয়ে বিষয়টো দৃষ্টিগোচৰ কৰে যদিও তেওঁ ভয়-ভাবুকিহে দিয়ে। আনকি তেওঁৰ ফাৰ্মাচিষ্ট গৰাকীয়েও প্ৰাণে মৰাৰ ভাবুকি দিয়ে। ডাঃ ফৰিদ খান আৰু তেওঁৰ ফাৰ্মাচীষ্টজনে নিজকে চিকিৎসক বুলি পৰিচয় দিয়ে যদিও তেওঁলোক সঁচা অৰ্থত এম বি বি এছ বা এম ডি আৰু ফাৰ্মাচিষ্ট হয়নে নহয় তাত সন্দেহ প্ৰকাশ কৰিছে ভুক্তভোগীয়ে। খান ক্লিনিকখনত প্ৰায় ১০/১৫ খন বিছনা সংলগ্ন কৰি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। খানে নিজে এক্সৰে, আলট্ৰাছাউণ্ড, ইচিজি আদি সকলো পৰীক্ষা-নিৰীক্ষাৰ লগতে তেজৰ সকলো ধৰণৰ পৰীক্ষাও খানে তেওঁৰ চিকিৎসালয়ত সম্পন্ন কৰে। লগতে হাড় ভঙা ৰোগীৰ প্লাষ্টাৰো কৰে খানে। কোনো ধৰণৰ অভিজ্ঞ ফাৰ্মাচিষ্ট বা নাৰ্চ নোহোৱাকৈ ডাঃ খানে গ্ৰামাঞ্চলৰ ৰাইজৰ সৰলতাৰ সুযোগ লৈ চিকিৎসা সেৱাক নিজৰ ব্যৱসায়লৈ পৰ্যবসিত কৰিছে বুলি অভিযোগ উঠিছে। ভুল চিকিৎসাৰ বলি হোৱা ভুক্তভোগীয়ে উক্ত চিকিৎসালয় আৰু চিকিৎসকৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী জনাই আজি হোজাই জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ৰঞ্জু হাজৰিকাৰ ওচৰত অভিযোগ দাখিল কৰে।

## বিধায়ক, প্ৰশাসনে নিদিলে গুৰুত্ব! ১০০মিটাৰ দৈৰ্ঘ্যৰ বাঁহৰ দলং সম্পূৰ্ণ

# মাজুলীত ১৬খন গাঁৱৰ গঞাই গাঁঠিৰ ধন খৰচ কৰি নিৰ্মাণ কৰিলে দলং

**ই-সংবাদ, মাজুলী, ২৪ অক্টোবৰঃ** ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা এটা বৃহৎ চাপৰি ভকত চাপৰি। য'ত ১৬ খনকৈ গাঁৱৰ লোকে বসবাস কৰে। কৃষি কৰ্মৰে স্বাৱলম্বী এই ভকত চাপৰিবাসীৰ এটা মূল সমস্যা হৈছে যাতায়াতৰ সমস্যা। ভকতচাপৰিৰ পৰা আউনীআটী অলিমূৰ সংযোগী পথটোত ব্ৰহ্মপুৰ এটা সুঁতি বৈ যোৱাত পোনপটীয়া যাতায়াতৰ ক্ষেত্ৰত আহি পৰিছে সমস্যা। যাতায়াতৰ ক্ষেত্ৰত এখন নাৱেই মূল ভৰসা এতিয়া ভকত চাপৰিবাসীৰ। ৰাইজৰ আবেদনৰ ভিত্তিত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনত আউনীআটী অলিমূৰ ভকতচাপৰি সংযোগী সুঁতিটোত এখন কাঠৰ দলং নিৰ্মাণৰ বাবে অনুমতি দিছিল। দলংখন নিৰ্মাণৰ বাবে এজন ঠিকাদাৰে ঠিকা লাভ কৰিছিল। অপৈনত কাঠ আৰু শিমলু গছৰ পুলি ব্যৱহাৰ কৰি দলংখন নিৰ্মাণ কৰাত এটা বছৰ ৰাইজ অহা-যোৱা কৰিবলৈ নৌপাওঁতেই দলংখন ভাঙি গল। আৰু খুঁটাসমূহ বহি গ'ল। পুনৰ ঠিকাদাৰে নিৰ্মাণ কৰিছিল যদিও একে অৱস্থা হোৱাৰ লগতে বাৰিষা পানীয়ে দলংখন উটুৱাই নিয়ে। টুলুঙা নাৱতেই ১৬খন গাঁৱৰ গঞাই এতিয়া গাঁঠিৰ ধন খৰচ কৰি যাতায়াত কৰিব লগা হোৱাৰ লগতে বিদ্যালয় মহাবিদ্যালৈলৈ ছাত্ৰ-ছাত্ৰীসকলে বিপদসংকুল যাতায়াত কৰিব লগা হৈছে। প্ৰশাসন, মাজুলীৰ বিধায়কক বহুবাৰ আবেদন-নিবেদন কৰিছে যদিও কোনো সুফল লাভ নকৰাৰ অভিযোগ কৰিছে গঞাই। চৰকাৰ, জিলা প্ৰশাসন আৰু মাজুলীৰ বিধায়কে কোনো গুৰুত্ব নিদিয়াত কালৈকো অপেক্ষা নকৰি আজি বৃহৎ ভকত চাপৰিৰ ১৬খন গাঁৱৰ গঞাৰ সহযোগত গাঁঠিৰ ধন খৰচ কৰি ভকত চাপৰিবাসীৰ নিজা প্ৰচেষ্টাত শাৰীৰিক শ্ৰমৰ যোগেদি নিৰ্মাণ কৰি উলিয়ালে ব্ৰহ্মপুত্ৰৰ সুঁতিত প্ৰায় ১০০ মিটাৰ দৈৰ্ঘৰ বাঁহৰ দলং। ভকত চাপৰিৰ ১৬খন গাঁৱৰ প্ৰত্যেক ঘৰ মানুহৰ পৰা বাঁহ তুলি, যিয়ে যেনে ধৰণে পাৰিছে টকা-পইচা দি ভকত চাপৰিৰ লগতে অঞ্চলটোৰ ৰাইজৰ সুবিধা হোৱাকৈ দলংখন নিৰ্মাণ কৰি উলিয়ায়। হাতে কামে লাগি ভকত চাপৰি ৰাইজে নিৰ্মাণ কৰি উলিওৱা দলংখন আজি ৰাইজৰ বাবে মুকলি কৰে মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে। ধূপ, বন্তি প্ৰজ্বলন কৰি ৰঙা ফিটা কাটি সত্ৰাধিকাৰগৰাকীয়ে দলংখন ৰাইজৰ বাবে মুকলি কৰে। বাঁহৰ দলংখন মুকলি কৰি সত্ৰাধিকাৰগৰাকীয়ে কয় যে টুলুঙা নাৱেৰে বিপদসংকুলভাৱে ৰাইজে যাতোত কৰি আহিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলো অতি বিপজ্জনকভাৱে যাতায়াত কৰি আহিছে। মাজুলীৰ শাৰদীয় উৎসৱ ৰাস পালন সমাগত- এই সকলোবোৰ কথা চিন্তা কৰি এই ভকত চাপৰি অঞ্চলৰ ৰাইজ নিজে যে ওলাই আহি তেখেতসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ বুলি উল্লেখ কৰে। সত্ৰাধিকাৰগৰাকীয়ে এটা উদাহৰণ দি কয় যে যেনেকৈ লংকালৈ যোৱাৰ সেতু বন্ধোৱা হৈছিল। বান্দৰে কিবা এটা আনিছিল, কেৰ্কেটুৱাই কিবা এটা আনিছিল আন কোনোবাই কিবা এটা আনিছিল, ঠিক তেনেদৰে এই অঞ্চলৰ ৰাইজে নিজে নিজে বাঁহকে আদি কৰি যাৱতীয় বস্তুবোৰ আনি দলংখন নিৰ্মাণ কৰিছে। এইটো আমাৰ সমাজ জীৱনৰ বাবে সাহসৰ প্ৰতীক বুলি তেওঁ উল্লেখ কৰে। লগতে সত্ৰাধিকাৰগৰাকীয়ে কয় যে ৰাইজে নখ জোকাৰিলে নৈ বয়, ৰাইজে কৰোঁ বুলিলে নোৱাৰা কাম একো নাই তথাপি আমি আশ্বস্ত হ'লে নহ'ব, চৰকাৰক এই অঞ্চলৰ ৰাইজৰ সুবিধাৰ বাবে এখন পকী দলং নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। তেওঁ আৰু কয় যে অঞ্চলটোলৈ ব্ৰহ্মপুত্ৰ ফাটি অহা সুঁতিটোৰ মুখখন বন্ধ কৰিব লাগে, কোনোবাই কিবা যুক্তি দিব পাৰে সুহৃদয় আৰু কৰ্মদক্ষ মুখ্যমন্ত্ৰীক আনৰ কথা নুশুনি যি কোনো কাৰণতে ৰাইজৰ দাবী মানি ল'বলৈ অনুৰোধ জনায় সত্ৰাধিকাৰগৰাকীয়ে। ইয়াৰ পাছতে নিজে দলংখনত উঠি সত্ৰাধিকাৰগৰাকীয়ে ভকত চাপৰি দিশলৈ যায় আৰু আকৌ ঘূৰি আহে। সত্ৰাধিকাৰগৰাকীৰ লগত সত্ৰৰ বৈষ্ণৱ তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখোৱা, সত্ৰখনৰ বৈষ্ণৱ, অঞ্চলবাসী ৰাইজ উপস্থিত থাকে।

## মৰিগাঁৱত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সংঘটিত ভয়ংকৰ ঘটনা

**ই-সংবাদ, মৰিগাঁও, ২৪ অক্টোবৰঃ** পুনৰ বিদ্যালয়ৰ শ্ৰেণীকোঠাত সহপাঠীৰ আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। সহপাঠীৰ আক্ৰমণত গুৰুতৰভাৱে আহত ছাত্ৰক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰিবলগীয়া হোৱা চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে মৰিগাঁৱৰ এখন ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত। উল্লেখ্য যে মৰিগাঁৱৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ পিছত এইবাৰ ৰাধাকৃষ্ণ চেন্ট্ৰেল একাডেমী নামৰ আগশাৰীৰ বিদ্যালয়খনত আজি শ্ৰেণীকোঠাতে এজন সহপাঠী ছাত্ৰই গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰে একে শ্ৰেণী অৰ্থাৎ অষ্টম শ্ৰেণীত অধ্যয়নৰত বুবু ভৰালী নামৰ ছাত্ৰ এজনক। আহত ছাত্ৰজন পেটত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাত ছাত্ৰজনক চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়।

## নাজিৰাত বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন

**ই-সংবাদ, নাজিৰা, ২৪ অক্টোবৰঃ** মা আইজ ফাউণ্ডেচন, ডিব্ৰুগড়ৰ উদ্যোগত ডিব্ৰুগড়ৰ অপেক্ষা চিকিৎসালয়ৰ চকু বিশেষজ্ঞ ডাঃ অৰুন্ধতী তামুলীৰ তত্বাৱধানত, নাজিৰাৰ এম চি ক্লাব আৰু বেচৰকাৰী সংস্থা নাৰী উন্নতিৰ সহযোগত নাজিৰা এম চি ক্লাবত বুধবাৰে এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। এম চি ক্লাবৰ সাধাৰণ সম্পাদক আব্দুৰ ৰহমানে আঁত ধৰা এই চিকিৎসা শিবিৰৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধকৰ দায়িত্ব সম্পাদন কৰে এম চি ক্লাবৰ সভাপতি জাকিৰুল হুছেইনে। উদ্বোধনী অনুষ্ঠানত চিকিৎসক ডাঃ অৰুন্ধতী তামুলী আৰু প্ৰিয়ংকা চাহুসহ ১৭ গৰাকী চিকিৎসা কৰ্মীক এম চি ক্লাবৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। তত্বাৱধায়ক ডাঃ অৰুন্ধতী তামুলীয়ে চকুৰ ক্ষেত্ৰত ল'বলগীয়া যতন আৰু সাৱধানতা সম্পৰ্কে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতে মা আইজ ফাউণ্ডেচনে আৰ্থিকভাৱে দুৰ্বল লোকসকলক বিনামূলীয়াকৈ চিকিৎসা সেৱাপ্ৰদান কৰাৰ লগতে বিনামূলীয়া চশমা আৰু অস্ত্ৰোপচাৰৰ ক্ষেত্ৰতো সহযোগিতা আগবঢ়োৱাৰ বিষয়ে উল্লেখ কৰে। বেচৰকাৰী সংস্থা নাৰী উন্নতিৰ সভানেত্ৰী আমিনা বেগম আৰু এম চি ক্লাবৰ উপদেষ্টা চুলতান মাহমুদে বক্তব্য আগবঢ়োৱাৰ লগতে নাৰী উন্নতিৰ তৰফৰ পৰা চিকিৎসকদ্বয় আৰু এম চি ক্লাবৰ বিষয়ববীয়াসকলক সম্বৰ্ধনা জনায়। উক্ত চিকিৎসা শিবিৰত নাজিৰা কেন্দ্ৰীয় বিদ্যালয়ৰ ৮০০ গৰাকী ছাত্ৰ-ছাত্ৰী, নাজিৰা অ' এন জি চি চাফাই কৰ্মীসকলৰ পৰিয়ালসহ ২৫০ জন আৰু বৃহত্তৰ নাজিৰা অঞ্চলৰ ৬ শতাধিক লোকে এই বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰি উপকৃত হয়। নাজিৰা এম চি ক্লাবৰ বিষয়ববীয়া, নাৰী উন্নতিৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় ৰাইজে মা আইজ ফাউণ্ডেচনৰ শলাগ লয়।

# ব্যৰ্থতা! ৭মাহে সন্ধান নাই সন্দীপন তাঁতীৰ, এবছৰেও সন্ধান নোলাল ৰৌচনীৰ

**ই-সংবাদ, ডুমডুমা, ২৪ অক্টোবৰঃ** চলিত বৰ্ষৰ যোৱা ২৯ মাৰ্চৰ দুপৰীয়াৰ পৰা নিৰুদ্দেশ হৈ থকা তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত দৈদাম চাহ বাগিচাৰ নিলোৎপল তাঁতী আৰু পূৰবী তাঁতীৰ ১৫ বছৰীয়া পুত্ৰ সন্দীপন তাঁতীৰ আজিলৈকে কোনো সন্ধান নোলাল। পৰিয়ালৰ লোকে ডুমডুমা আৰক্ষী থানাত ঘটনাৰ দিনাই এজাহাৰ দাখিল কৰা অনুসৰি ২৯ মাৰ্চৰ দুপৰীয়া ১ বজাত দৈদাম চাহ বাগিচাৰে তিনিজন সমনীয়াৰ সৈতে খেলিবলৈ বুলি ঘৰৰ পৰা ওলাই গৈছিল ছাত্ৰজন। সন্ধিয়া পৰ্যন্ত ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ আৰম্ভ কৰে। আনকি, যি তিনিজন সমনীয়াৰ সৈতে ছাত্ৰজনে খেলিবলৈ বুলি ওলাই গৈছিল তেওঁলোকক সোধা-পোছা কৰাত তেওঁলোক বেলেগ এঠাইলৈ গৈছিল আৰু সন্দীপনক তেওঁলোকৰ লগত নিয়া নাছিল বুলি জানিবলৈ দিয়ে। ডুমডুমা আৰক্ষীয়ে সন্দীপনক বিচাৰি অভিযান আৰম্ভ কৰে যদিও ছাত্ৰজনৰ কোনো সম্ভেদ নাপালে। চলিত বৰ্ষত ডুমডুমা ডনবক্স' হাইস্কুলৰ পৰা অষ্টম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হৈছিল সন্দীপন। কোনোবাই সন্দীপন তাঁতীৰ কিবা সম্ভেদ পালে ৮০১১৫৭৮৬৮১, ৬০০৩১৯৪০৭৪ নম্বৰত জনাবলৈ পিতৃ-মাতৃয়ে অনুৰোধ জনোৱাৰ লগতে সামাজিক মাধ্যমযোগেও আহবান জনাইছিল। এইক্ষেত্ৰত সম্ভেদ দিওঁতাজনক ১,০০,০০০.০০(এক লাখ) টকাৰ পুৰস্কাৰ দিয়াৰ কথাও ঘোষণা কৰা দুৰ্ভগীয়া পিতৃ-মাতৃয়ে সম্ভেদ দিওঁতাৰ পৰিচয় সম্পূৰ্ণ গোপনে ৰখাৰো প্ৰতিশ্ৰুতি দিছিল। ইপিনে, যোৱা ৩ মে'ত 'আটছা'ৰ ডুমডুমা শাখাৰ উদ্যোগত আৰু বৰহাপজান শাখাৰ সহযোগত ঘটনাৰ সন্দৰ্ভত ৰূপায়ণ কৰা হৈছিল ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কাৰ্যসূচী। কাৰ্যসূচীত সন্দীপনৰ পিতৃ-মাতৃয়ে এমাহ দিন অতিক্ৰম কৰাৰ পিছতো সন্দীপনৰ কোনো ধৰণৰ শুংসূত্ৰ উলিয়াবলৈ সক্ষম নোহোৱা আৰক্ষী-প্ৰশাসনৰ ভূমিকাত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি দুৰ্ভগীয়া পৰিয়ালটিয়ে বাগিচাৰ ৰাইজৰ সৈতে এনেদৰে ৰাজপথলৈ ওলাই আহি পথ অৱৰোধ কৰা বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে আটছাই আৰক্ষী-প্ৰশাসনক এইক্ষেত্ৰত ২৪ ঘণ্টাৰ সময়সীমা বান্ধি দিছিল। অন্যথা সংগঠনটোৰ নেতৃত্বত তিনিচুকীয়া জিলাত জংগী আন্দোলন গঢ়ি তোলাৰো হুমকি প্ৰদান কৰি প্ৰতিবাদস্থলীতে ডুমডুমা ৰাজহ চক্ৰ বিষয়াগৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। আনহাতে, পিতৃ নীলোৎপল তাঁতীয়ে সন্দীপনৰ সন্ধান উলিওৱাৰ দায়িত্ব ক্ৰাইম ব্ৰাঞ্চক দিয়াৰ লগতে অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপৰ দাবী জনাইছিল। লগতে লোকসভা নিৰ্বাচনৰ ধামখুমীয়াত আৰক্ষী-প্ৰশাসনে সন্দীপনৰ সন্ধান উলিওৱাৰ ক্ষেত্ৰত গাফিলতি কৰাৰ অভিযোগো তুলিছিল অৱৰোধস্থলীত। অৱৰোধস্থলীত উপস্থিত হৈ পদ্মশ্ৰী দুলাল মানকিয়ে কৈছিল যে মোৰ নাতি সন্দীপন (বায়েকৰ ছোৱালীৰ ল'ৰা) সন্ধানহীন হোৱা ঘটনাই আমাৰ পৰিয়ালটোক মানসিকভাৱে একেবাৰেই ভাঙি পেলাইছে। আৰক্ষী-প্ৰশাসনে ঘটনাটো গুৰুত্ব সহকাৰে লোৱা হ'লে আমি কিবা এটা সম্ভেদ লাভ কৰিলোঁহেঁতেন। লগতে তেওঁ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তেওঁলোকৰ পৰিয়ালটোৰ দুখৰ কথা চিন্তা কৰি আৰক্ষী-প্ৰশাসনক এবাৰ ঘটনাটোৰ উচিত অনুসন্ধান কৰিবলৈ নিৰ্দেশ দিবলৈও আহবান জনাইছিল। ইপিনে, বিগত ২০২৩ বৰ্ষৰ দুৰ্গা পূজাৰ দশমীৰ দিনা ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিং লাচিত নগৰৰ আই টি বি পি কেম্পৰ সমীপৰ পৰা নিৰুৰ্দিষ্ট হোৱা কেম্পৰ সন্মুখৰ দুখীয়া মদন শ্বাহৰ কন্যা ৰৌচনী শ্বাহৰো আজি এটা বছৰে কোনো ধৰণৰ শুংসূত্ৰই নোলাল। ক'ত হেৰাল সন্দীপন তাঁতী? ক'ত হেৰাল ৰৌচনী শ্বাহ? আৰক্ষী-প্ৰশাসন তথা চৰকাৰৰ প্ৰতি ৰাইজৰ প্ৰশ্ন এয়া। অলপতে ডঃ ভূপেন হাজৰিকা সেতু আলোকীকৰণ (সৌৰশক্তি চালিত) কাৰ্যসূচীলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰৌচনী শ্বাহৰ ঘৰৰ সন্মুখৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেদিয়েই গৈছিল যদিও অসমৰ জনপ্ৰিয়, কৰ্মদক্ষ মুখ্যমন্ত্ৰীয়ে পাহৰিয়েই গ'ল ৰৌচনী শ্বাহৰ নিৰুদ্দেশৰ ঘটনাক। সন্দীপন তাঁতী আৰু ৰৌচনী শ্বাহৰ সন্ধান উলিয়াবলৈ আৰু কিমান দিনৰ প্ৰয়োজন হ'ব চৰকাৰক? সন্ধান ওলাব নে সন্দীপন আৰু ৰৌচনীৰ? সফল হ'ব নে চৰকাৰ তথা আৰক্ষী-প্ৰশাসন? আজিৰ তাৰিখত এয়া এক লাখটকীয়া প্ৰশ্ন!

## অধ্যক্ষাক ঘেৰাও, সংগ্ৰহ কৰা ধন ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি শিক্ষাৰ্থীক

# বিতৰ্কত বৰহোলা মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ

**ই-সংবাদ, তিতাবৰ, ২৪ অক্টোবৰঃ** বিত্তীয় অনিয়মৰ অভিযোগক কেন্দ্ৰ কৰি বিগত কেইবামাহ ধৰি বিতৰ্কৰ আৱৰ্তত থকা তিতাবৰ উপজিলাৰ অসম নাগালেণ্ড সীমান্তৱৰ্তী বৰহোলাৰ বৰহোলা মহাবিদ্যালয়ত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীৰ পৰা বিদ্যালয় কৰ্তৃপক্ষই অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে ভাৰপ্ৰাপ্ত অধ্যক্ষা বৰ্ণালী কলিতাক ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰি বহু সময় কাৰ্যালয়ত আবদ্ধ কৰি ৰাখে। উল্লেখ্য নতুন শিক্ষা নীতিৰ আধাৰত স্নাতক চাৰি বছৰীয়া পাঠ্যক্ৰমৰ বাবে বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ নীতি বিৰুদ্ধভাৱে অধ্যক্ষা কলিতাই ধন সংগ্ৰহ কৰি আহিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা নীতি নিৰ্দেশনা অনুসৰি কোনো মহাবিদ্যালয়ে এজন ছাত্ৰৰ প্ৰেক্টিকেলৰ বাবদ ৫০০ টকা পৰীক্ষা মাচুল সংগ্ৰহ কৰিব পাৰিব।ছাত্ৰজনৰ একাধিক বিষয়ত প্ৰেক্টিকেল থাকিলে কোনো অতিৰিক্ত মাচুল সংগ্ৰহ কৰিব নোৱাৰিব বুলি স্পষ্ট নিৰ্দেশনা আছে যদিও বৰহোলা মহাবিদ্যালয়ত এই নীতি বহু বছৰৰ পূৰ্বৰে পৰা ভংগ কৰি অহা হৈছে। ছাত্ৰ-ছাত্ৰীৰ প্ৰেক্টিকেল অনুসৰি অতিৰিক্ত ৫০০ টকাকৈ সংগ্ৰহ কৰি থকা মহাবিদ্যালয়খনৰ এনে কাণ্ড ছাত্ৰ একতা সভাই পোহৰলৈ আনি জিলাখনৰ বহু কেইখন মহাবিদ্যালয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰাত সমগ্ৰ বিষয়টো পোহৰলৈ আহে। বিগত ষাণ্মাষিক পৰীক্ষাসমূহৰ সময়তো বিষয়টো পোহৰলৈ আহিছিল যদিও অধ্যক্ষা কলিতাই ছাত্ৰ-ছাত্ৰীসকলক অপবাখ্যাৰে বিষয়টোৰ পৰা আঁতৰাই নিয়ে। ছাত্ৰ-ছাত্ৰীৰ হেঁচাত নতি স্বীকাৰ কৰি ভাৰপ্ৰাপ্ত অধ্যক্ষা বৰ্ণালী কলিতাই প্ৰেক্টিকেলৰ নামত অবৈধভাৱে ধন সংগ্ৰহ কৰা বুলি স্বীকাৰ কৰি ইতিমধ্যে আদায় লোৱা ধন ঘূৰাই দিব বুলি প্ৰতিশ্ৰুতি দিয়াত ছাত্ৰ-ছাত্ৰীসকল ক্ষান্ত হয়। ছাত্ৰ একতা সভাৰ সভাপতি নৱজ্যোতি নেওগ, সাধাৰণ সম্পাদক লোচন শইকীয়াই মহাবিদ্যালয় বিশ্ববিদ্যালয়ৰ পৰীক্ষা নীতি উলাই কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা ধন সংগ্ৰহ কৰা ঘটনা সংঘটিত হোৱাৰ অভিযোগ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক অৱগত কৰিব বুলি সদৰী কৰিছে। ছাত্ৰ নেতা দুগৰাকীয়ে তোলা অন্য এক অভিযোগ অনুসৰি মহাবিদ্যালয়খনত দক্ষতা বিকাশৰ পৰীক্ষাৰ বাবতো ধন সংগ্ৰহ কৰি অহা বুলি অভিযোগ কৰিছে শিক্ষাৰ্থীসকলে। বৰ্তমান পৰিস্থিতি যথেষ্ট শাম কাটিছে।

# ভুক্তভোগীক ন্যায় দিয়াৰ বিপৰীতে অভিযুক্তৰ পক্ষত আৰক্ষী

**ই-সংবাদ, গোলকগঞ্জ, ২৪ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ আৰক্ষীয়ে ভুক্তভোগীক ন্যায় দিয়াৰ বিপৰীতে অভিযুক্তৰ পক্ষ লোৱাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, গোলকগঞ্জ থানাৰ মটেৰঝাৰৰ সাহিদুল হক আৰু মফিদুল হকৰ পৰিয়ালৰ মাজত এটা পথক লৈ দীৰ্ঘদিনৰ পৰা কাজিয়া চলি আছিল। ২১ অক্টোবৰত সহিদুল হকক পথটোৰে আহা-যোৱা কৰাত বাধা প্ৰদান কৰে মফিদুল হকে। ইয়াক লৈ দুয়োপক্ষৰ কাজিয়া, বাক বিতণ্ডা হয়। ছেগ বুজি মফিদুল হকে ভাতৃ এনামুল হক, এক্ৰামুল হক আৰু এমদাদুল হকৰ লগত মিলি সহিদুলক লাঠী আৰু চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। ফলত গুৰুতৰভাৱে আহত হয় সহিদুল। ততালিকে তেওঁক মটেৰঝাৰ আদৰ্শ চিকিৎসালয় আৰু পিছত গোলকগঞ্জ খণ্ড প্ৰাথমিক চিকিৎসালয় লৈ নিয়ে। এই সন্দৰ্ভত সহিদুলৰ ভাতৃ ছাইফুল ইছলামে গোলকগঞ্জ থানাত এখন এজাহাৰ দিয়ে। কিন্তু লক্ষণীয়ভাৱে আজিলৈকে অভিযুক্তৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই গোলকগঞ্জ আৰক্ষী। ওলোটাই আৰক্ষীয়ে এজাহাৰকাৰীকে দোষী বনোৱাৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, এই সুযোগ গ্ৰহণ কৰিয়ে মূল অভিযুক্ত এজাহাৰকাৰীৰ পত্নীক অশালীন ভাষাৰে গালি-গালাজ পাৰাৰ লগতে অশ্লীল ইংগিত দিয়াৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। গোটেইটো সন্দৰ্ভত গোলকগঞ্জৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ হস্তক্ষেপ দাবী কৰিছে ৰাইজে। বিষয়টো ত নিৰপেক্ষ তদন্ত আশা কৰিছে ৰাইজে।

# পটীয়া গাঁৱত শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলাৰ আয়োজন

**ই-সংবাদ, বাহানা, ২৪ অক্টোবৰঃ** যোৰহাট জিলাৰ বৃহত্তৰ পটীয়া গাঁও সন্মিলিত সমাজৰ উদ্যোগত স্থানীয় ৰাইজৰ সহযোগত ১৩, ১৪ ডিচেম্বৰত শ্ৰী শ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা উদযাপনৰ আয়োজন কৰা হৈছে। পটীয়া গাঁৰৰ কলিয়নী নৱজ্যোতি শংকৰী কলা-কৃষ্টি সংঘৰ স্থায়ী মঞ্চত অনুষ্ঠিত কৰিবলৈ লোৱা এই কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবেএখন উদযাপন সমিতি আৰু কেবাখনো উপ-সমিতি গঠন কৰা হৈছে। উদযাপন সমিতিৰ সভাপতি অচিন্ত দত্ত, যুটীয়া সম্পাদক যদু বৰা, টিৰাংকুমণি বৰা, ৰাজু দত্ত কাৰ্যকৰী সভাপতি, জিতু তপন শইকীয়া হিচাপ পৰীক্ষক আৰু মৌচুম দত্তক কোষাধ্যক্ষ ৰূপে গঠন কৰা হৈছে। উল্লেখ্য যে এই অঞ্চলত ৰাস, কেইজন দক্ষতাসম্পন্ন ব্যক্তিয়ে অসমত প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। সাংস্কৃতিক দিশত বৰঙণি যোগোৱা এই অঞ্চলত প্ৰায় ২০ বছৰৰো অধিক সময় ৰাসলীলা প্ৰদৰ্শন কৰা হোৱা নাছিল। সেয়ে এই কাৰ্যসূচীত ৰাইজক সঁহাৰি জনাবলৈ উদযাপন সমিতিয়ে আহ্বান জনাইছে।

# মানুহ এনেকুৱা নে? নিশাৰ আন্ধাৰত বিহ দি লাখ লাখ মৌ নিধন

**ই-সংবাদ, হাজো, ২৪ অক্টোবৰঃ** মনত অযুত সপোন বান্ধি ওলাই আহিছিল কামৰূপ জিলাৰ অন্তৰ্গত ৰামদিয়াৰ এজাক মহিলা। নিজকে স্বাৱলম্বীতাৰ দিশে এখোজ আগবঢ়াই নিয়াৰ সপোন ৰচিছিল মহিলাসকলে। মন প্ৰাণ সপি দিনটোৰ অধিক সময়খিনিয়েই নিজৰ সন্তানটিৰ দৰেই মৌৰ প্ৰতিপালন কৰিছিল তেওঁলোকে। কিন্তু নিশাৰ ভাগত সংঘটিত এক অনাকাংক্ষিত ঘটনাই মহিলাসকলৰ সেই সপোন ভাঙি চুৰমাৰ কৰিলে। নিশা সংঘটিত হোৱা এই নিকৃষ্ট কাণ্ডই এতিয়া সৰ্বত্ৰে সৃষ্টি কৰিছে চাঞ্চল্যৰ। ৰামদিয়া বঙালটোলাৰ নৱমিলন মৌ উৎপাদক সমবায় সমিতিৰ মহিলা আৰু পুৰুষসকলে ৰাষ্ট্ৰীয় ডেইৰী বিকাশ বোৰ্ডৰ অধীনত তিনি বছৰ পূৰ্বে আৰম্ভ কৰিছিল মৌ-মাখিৰ খেতি। সকলো ঠিকেই চলি আছিল, কিন্তু হঠাতে যোৱা নিশা দুৰ্বৃত্তৰ দলে সমবায় সমিতৰ ফাৰ্মত প্ৰৱেশ কৰি নিধন কৰিলে ১২০ টা ভৰ্তি বাকচৰ লাখ লাখ মৌ-মাখি। পুৱাৰ ভাগত সমবায়খনৰ এগৰাকী কৰ্মচাৰীয়ে ফাৰ্মলৈ অহাতহে পোহৰলৈ আহে সমগ্ৰ ঘটনা। সমবায়খনৰ সদস্যসকলৰ অভিযোগ, নিশাৰ ভাগত কোনো নথকাৰ সুযোগ লৈ বাকচৰ ভিতৰত বিষাক্ত দ্ৰব্য চটিয়াই দুৰ্বৃত্তৰ দলে নিধন কৰিছে জৈৱ বৈচিত্ৰ্য বৰ্তাই ৰখা মৌ-মাখিসমূহ। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত ৰামদিয়া আৰক্ষী চকীত এজাহাৰ দাখিল কৰাত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত। উল্লেখ্য যে, শীতকালৰ আগমনৰ লগে লগে সৰিয়হৰ হালধীয়া ফুলৰ মৌ সংগ্ৰহ কৰিবলৈ এনেদৰে পালন কৰা হয় মৌ-মাখি। পৰাগ ৰেণু আৰু ফুলৰ ৰসৰপৰা মৌ-মাখিয়ে তৈয়াৰ কৰা সুস্বাদু মৌ-জোল বিক্ৰী হয় ৰাজ্যৰ লগতে বহিঃৰাজ্যৰ বজাৰত। হঠাৎ সংঘটিত হোৱা এনে ঘটনাই এতিয়া বিপদত পেলাইছে মহিলাসকলক।

# ছাগলীয়াৰ শ্যাম বাজাৰ মোল্লা হোটেলত নিষিদ্ধ মাংস

**ই-সংবাদ, গোলকগঞ্জ, ২৪ অক্টোবৰঃ** ধুবুৰী জিলাৰ ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত পোকালাগী তৃতীয় খণ্ড গাঁৱত আজি পুৱা ছয় বজাত স্থানীয় ৰাইজে নিষিদ্ধ মাংসসহ এজনক আটক কৰাত এক বৃহৎ তথ্য পোহৰ লৈ আহিছে। পশ্চিমবংগৰ বালাকুঠিৰ পৰা চাৰি কিলোগ্ৰাম নিষিদ্ধ মাংস বাইকেৰে আজি কঢ়িয়াই আনি ৰাইজৰ হাতত আটক হৈ সকলো কথা স্বীকাৰ কৰা ঘটনা ম'বাইলে ম'বাইলে ভাইৰেল হোৱাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিজকে মেহেৰ উদ্দিন সৰকাৰ বুলি পৰিচয় দিয়া লোকজনে স্বীকাৰ কৰে যে শ্যাম বজাৰত মোল্লা নামৰ তেওঁৰ এখন হোটেল আছে। হোটেলখনত নিষিদ্ধ মাংসৰ লগতে ম'হৰ মাংস পোৱা যায়। তেওঁ নিতৌ পুৱা পশ্চিমবংগৰ বালাকুঠিৰ পৰা চাৰি পাঁচ কিলোগ্ৰাম নিষিদ্ধ মাংস কঢ়িয়ায় বুলিও স্বীকাৰ কৰে। শ্যাম বজাৰত ইমান দিনে নিষিদ্ধ মাংসৰ দোকানখন কেনেদৰে চলি আছিল ইয়াকে লৈ ৰাইজৰ মাজত বিভিন্ন প্ৰতিক্ৰিয়া আৰম্ভ হোৱাৰ লগতে অঞ্চলটোৰ শান্তি-সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থত হোটেলখনৰ ওপৰত প্ৰশাসনে দৃষ্টি নিবদ্ধ কৰিছে। জানিব পৰা মতে, আজি স্থানীয় ৰাইজে লোকজনক আটক কৰাত লোকজনে সকলো কথা স্বীকাৰ কৰে। কোনোবাই ভিডিঅ' কৰি ইয়াক ভাইৰেল কৰে। ততালিকে স্থানীয় একাংশ মহিলাই ঘটনাস্থলীত উপস্থিত হৈ মাংসৰ টোপোলা কাঢ়ি লৈ যায়। খবৰ পাই ছাগলীয়া আৰক্ষী উপস্থিত হৈ মেহেৰ উদ্দিনক আটক কৰি আৰক্ষী চকী লৈ নিয়ে।

# আমগুৰি ৰাজহ চক্ৰৰ কাৰ্যালয় স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত

**ই-সংবাদ, আমগুৰি, ২৪ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টি বিলুপ্তকৰণৰ পিছতেই আমগুৰি নগৰৰ পৰা আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টি চৰকাৰৰ তৰফৰ পৰা নাজিৰালৈ স্থানান্তৰিত কৰাৰ প্ৰস্তুতি আৰম্ভ হোৱাৰ লগে লগে ক্ষোভ আৰু বেদনাত জ্বলি উঠিছে আমগুৰিবাসী। আজি দ্বিতীয় দিনাও আমগুৰি নগৰ চাৰিআলিত কৃষক মুক্তি সংগ্ৰাম সমিতি, বীৰ লাচিত সেনা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু পোহৰৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। চৰকাৰে পুনৰ আমগুৰিবাসীৰ আৰেগক কুঠাৰাঘাত কৰি আমগুৰিত অৱস্থিত আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থানান্তৰিত কৰিবলৈ লোৱা কাণ্ডৰ প্ৰতিবাদত আমগুৰিৰ ৰাজপথ উত্তাল হৈ পৰিছে। বিভিন্ন জাতীয় সংগঠনৰ লগতে আৰু আমগুৰিবাসীৰ ৰাইজে মাৰ বান্ধি চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে থিয় দিছে। কালি আমগুৰি চাৰিআলিত মুখ্যমন্ত্ৰী আৰু স্থানীয় বিধায়কৰ পুত্তলিকা দাহ কৰাৰ পিছত আজি পুনৰ আমগুৰিৰ ৰাজপথ উত্তাল কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে প্ৰদীপ হাজৰিকা মুৰ্দাবাদ, ভুৱা জাতীয়তাবাদী প্ৰদীপ হাজৰিকা মুৰ্দাবাদ, বিজেপি মুৰ্দাবাদ, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চিৰদিনলৈ বিলুপ্ত কৰিবলৈ দিয়া নহ'ব আদি শ্ল'গানেৰে আমগুৰি নগৰৰ চাৰিআলিত প্ৰতিবাদ সাব্যস্ত কৰে।

# সাংবাদিকক আক্ৰমণ অনুসূচিত জাঃ সঃ যুৱ পৰিষদৰ গৰিহণা

**ই-সংবাদ, নগাঁও, ২৪ অক্টোবৰঃ** বাতৰি সংগ্ৰহ কৰি থকা সময়ত বিজেপি কৰ্মীয়ে কৰ্তব্যৰত বহু কেইটা সংবাদ প্ৰতিষ্ঠানৰ কেইবাগৰাকী সাংবাদিকক আক্ৰমণ কৰা কাৰ্যত তীব্ৰ গৰিহণা দিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। চামগুৰিত কংগ্ৰেছ প্ৰাৰ্থীয়ে মনোনয়ন দাখিলৰ সময়ত বিজেপি-কংগ্ৰেছ কৰ্মীৰ সংঘৰ্ষৰ সময়ত সাংবাদিকক খেদি খেদি আক্ৰমণ কৰা কাৰ্যক অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে গৰিহণা দি দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী তুলিছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে এই ঘটনাক গৰিহণা দিছে। সামাজিক মাধ্যমত ফটো শ্বেয়াৰ কৰি সঞ্জীৱ দাসে কয় যে বিজেপি নেতা আৰু ১৫০০ টকীয়া ভক্তৰ ক্ষমতাই মূৰত ধৰিছে। যাৰ বাবে নিজৰ পৰাজয়ৰ ভয়ত সাংবাদিকক আক্ৰমণ কৰিছে। তেওঁলোকৰ চৰকাৰ আছে, পৰাজয়ৰ ভয় কিহৰ। কাপুৰুষৰ দৰে বাতৰি সংগ্ৰহ কৰা সাংবাদিকৰ ওপৰত খেদি খেদি কিয় আক্ৰমণ কৰিছে? যদি বিজেপি কৰ্মী গুণ্ডা নহয়েই, তেন্তে জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই সাংবাদিকে কৰা প্ৰতিবাদত বহি সাংবাদিকক হাতযোৰ কৰি ক্ষমা বিচাৰি দোষীক উচিত শাস্তি দিয়াৰ প্ৰতিশ্ৰুতি দিলে কিয় বুলি প্ৰশ্ন কৰে দাসে? কংগ্ৰেছ দল ত্যাগ কৰি দোষীক উচিত শাস্তি নিদিলে সাংবাদিকসকলক বিজেপি দলৰ সকলো বাতৰি প্ৰত্যাহাৰ কৰিবলৈ আহ্বান সঞ্জীৱ দাসৰ।

# ঘাইপথৰ দাঁতিত জাৱৰ পেলাই পৰিৱেশ অস্বচ্ছতালৈ ৰূপান্তৰ নুমলীগড়ক



**ই-সংবাদ, নুমলীগড়, ২৪ অক্টোবৰঃ** স্বচ্ছ ভাৰত অভিযানৰ এক দশক পূৰ্ণ হ'ল যদিও এক দশকৰ পাছতো কিন্তু স্বচ্ছ ভাৰত অভিযানত সফল নহ'ল চৰকাৰ। ইয়াৰ প্ৰমাণ হিচাপে নুমলীগড় তিনিআলিৰ পৰা গোলাঘাট চহৰ অভিমুখী ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথ! এই পথেৰে গ'লে স্বচ্ছতাৰ নমুনা সকলোৱে দেখিবলৈ পাব! য'তে ত'তে একাংশ লোকে আৱৰ্জনা পেলাই স্বচ্ছ ভাৰত অভিযানক ভৰিৰে গচকি অমানৱীয় পৰিচয় দিছে। যাৰ ফলত গেলা-পচা জাৱৰৰ গোন্ধ লৈ ৰাইজে ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে যাত্ৰা কৰিবলগীয়া হৈছে। কাণাইঘাট বজাৰ, তেলগৰম বজাৰকে আদি কৰি এই এলেকাৰ দৈনিক ওলোৱা জাৱৰ-জোঁথৰ পেলাবলৈ নিৰ্দিষ্ট ঠাই নোহোৱাৰ বাবে ঘাইপথৰ দাঁতিত জাৱৰ পেলাই পৰিৱেশ প্ৰদূষিত কৰিছে। কিছুলোকে কেৱল গান্ধী জয়ন্তীৰ দিনা বগা ৰঙৰ পোচাক পৰিধান কৰি হাতত ঝাৰু লৈ ৰাজপথত চাফা কৰা দুকপীমান ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰিয়েই ক্ষান্ত থাকে। সামাজিক মাধ্যমত ফটো দি, স্বচ্ছ ভাৰত অভিযানৰ সফল সমাপ্তি বুলি দুইশাৰীমান লিখিয়েই ক্ষান্ত থাকে। কিন্তু প্ৰকৃতাৰ্থত অস্বচ্ছতাৰ পৰিসমাপ্তি ঘটিছেনে নাই এইবোৰলৈ ভ্ৰুক্ষেপ নাই। এনেদৰে স্বচ্ছ ভাৰত অভিযানৰ নামত এখন নাটক চলি আছে আৰু এই নাটক ভৱিষ্যতৰ দিনলৈকে যে চলি থাকিব তাত কোনো সন্দেহ নাই বুলি একাংশ সচেতন লোকে মত পোষণ কৰিছে।

# বিলাসীপাৰা জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতৰ ঐতিহাসিক ৰায়দান

**ই-সংবাদ, বিলাসীপাৰা, ২৪ অক্টোবৰঃ** বিলাসীপাৰা জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতৰ ঐতিহাসিক ৰায়দান। চৰুৱাবাখৰা গাঁৱৰ পিতা-পুত্ৰ হত্যাৰ ১২ অভিযুক্তক বিহিলে ৮ বছৰৰ সশ্ৰম কাৰাদণ্ড। ছলেমান আলী, হজৰত আলী, আব্দুল খালেক, শ্বাহজাহান আলী, আফছেৰ আলী, আবু বাক্কাৰ ছিদ্দিক, লালচান আলী, আবুশামা, কাদেৰ আলী, আমান আলী, মনোৱাৰ হুছাইন আৰু আব্দুল কাদেৰক সশ্ৰম কাৰাদণ্ডৰ ৰায় বিলাসীপাৰা আদালতৰ। অভিযুক্তৰ ভিতৰত আব্দুল কাদেৰে পশ্চিম শালকোচা এম ই স্কুলৰ এগৰাকী প্ৰধান শিক্ষক। প্ৰত্যকজন অভিযুক্তক ৮ বছৰৰ কাৰাদণ্ডৰ উপৰি ২০ হাজাৰ টকাকৈ জৰিমনা বিহিছে আদালতে। উল্লেখ্য যে, ২০০৯ চনত চাপৰৰ টিলাপাৰাৰ চৰুৱাবাখৰা গাঁৱত সংঘটিত হৈছিল পিতা-পুত্ৰক হত্যাৰ এক মৰ্মান্তিক ঘটনা। চৰুৱাবাখৰা বজাৰত একেই গাঁৱৰ জছেৰ আলী (পিতা) আৰু শাজামাল আলী(পুত্ৰ)ক অতি নিৰ্মম ৰে মাৰপিট কৰা হৈছিল। মাৰপিটৰ কিছু সময় পিছতেই মৃত্যু হৈছিল পিতা-পুত্ৰৰ। ঘটনাৰ পিছতে চাপৰ থানাত জছেৰ আলী আৰু শাজামাল আলীৰ পৰিয়ালে দাখিল কৰিছিল এজাহাৰ। চাপৰ আৰক্ষীয়ে ১২৮/২০০৯ ত গোচৰ ৰুজু কৰি আৰম্ভ কৰিছিল তদন্ত। ছেচন কেচ ৮৬/২০১৩ আৰু U/s 147/148/149/344/365/302/323 ৰ অধীনত আজি বিলাসীপাৰা জিলা আৰু সত্ৰ ন্যায়াধীশ ফাৰাহানা ছুলতানাৰ বিচাৰপীঠে চূড়ান্ত ৰায়দান কৰে। সুদীৰ্ঘ ১৫ বছৰ পিছত ন্যায় আলী, শাজামাল আলীৰ পৰিয়াল, আত্মীয়ই আদালতৰ এই ঐতিহাসিক ৰায়ক আদৰণি জনোৱাৰ লগতে আদালতক ধন্যবাদ জ্ঞাপন কৰে।

শেষ পৃষ্ঠা

# ৰাফিনহাৰ হেট্ৰিক, জয়ী বাৰ্চিলোনা



**পেৰিছ, ২৪ অক্টোবৰঃ** ৰাফিনহাৰ আকৰ্ষণীয় হেট্ৰিকৰ সহায়ত চেম্পিয়নছ লীগৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত বাইৰন মিউনিখৰ বিৰুদ্ধে ৪-১ ব্যৱধানত জয়ী হৈছে বাৰ্চিলোনা। বাইৰনৰ বিৰুদ্ধে শেহতীয়া ৬খন মেচত দলটো পৰাস্ত হৈ আহিছিল যদিও ইয়াৰ অলিম্পিক ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত জয়লাভ কৰে। দলটোৰ হৈ আনটো গ'ল স্ক'ৰ কৰে ৰবাৰ্ট লিয়াণ্ডোস্কিয়ে। আনহাতে মিউনিখৰ হৈ একমাত্ৰ গ'লটো পৰিশোধ কৰে ইংলেণ্ডৰ তাৰকা খেলুৱৈ হেৰি কেনে। এই জয়েৰে প্ৰতিযোগিতাখনত অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে বাৰ্চিলোনাই।

# কোৱাৰ্টাৰত জয়ী কমাণ্ডো



**ই-সংবাদ, ৰঙিয়া,২৪ অক্টোবৰঃ** ৰঙিয়াৰ পুঠিমাৰীত আজি সপ্তম বাৰ্ষিক চি এম চেম্পিয়নশ্বিপ ট্ৰফী প্ৰতিযোগিতাৰ অন্তিমখন কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হয়। হৰদত্ত বীৰদত্ত ক্ৰীড়া সংঘৰ উদ্যোগত স্থানীয় পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত অনুষ্ঠিত খেলত মানস পেন্থাৰ ফুটবল দলৰ বিপৰীতে এ পি কমাণ্ডো মান্দাকাটা দল অৱতীৰ্ণ হয়। উত্তেজনা পূৰ্ণ খেলখনত এ পি কামাণ্ডো মান্দাকাটা দলে ৩-২ গ'লৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। এই জয়েৰে দলটোৱে ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হয়।



অফস্পিনাৰ সুন্দৰ ৱাশ্বিংটনৰ বলত ক্লীন বল্ড নিউজিলেণ্ডৰ বেটাৰ টম ব্লাণ্ডেল, পুণেত বৃহস্পতিবাৰে

## মাত্ৰ ৫৯ ৰান দি ৭টা উইকেট দখল সুন্দৰ ৱাশ্বিংটনৰ

# অফস্পিনাৰৰ যাদুৰে দ্বিতীয় টেষ্টত ভাৰতৰ সন্তোষজনক আৰম্ভণি

**পুণে, ২৪ অক্টোবৰঃ** নিউজিলেণ্ডৰ বিৰুদ্ধে পুণেত আজিৰে পৰা আৰম্ভ হোৱা দ্বিতীয়খন টেষ্টত সুন্দৰ প্ৰত্যাৱৰ্তন কৰিবলৈ সমৰ্থ হৈছে ৰোহিত বাহিনী। অফ স্পিনাৰৰ যাদুৰে ভাৰতীয় দলটোৱে প্ৰথম দিনাৰ খেলত নিউজিলেণ্ডক প্ৰথম ইনিংছত একপ্ৰকাৰ বান্ধি ৰাখে। ভাৰতীয় বলাৰসকলৰ সুনিয়ন্ত্ৰিত বলিঙৰ পৰিপ্ৰেক্ষিতত আলহী দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ২৫৯ ৰানত প্ৰথম ইনিংছ সামৰিবলগীয়াত পৰে। দলটোৰ হৈ ডেভন কনৱেই ৭৬ আৰু ৰাছিন ৰবিন্দ্ৰই ৬৫ ৰানৰ অৱদান আগবঢ়োৱাৰ বিপৰীতে বাকী বেটাৰসকল ব্যৰ্থ হয়। বিপৰীতে ভাৰতৰ হৈ অকলে ৭টা উইকেট দখল কৰে অফস্পিনাৰ ৱাশ্বিংটন সুন্দৰে। বাকী ৩টা উইকেট লাভ কৰে আনজন অফস্পিনাৰ ৰবিচন্দ্ৰন অশ্বিনে। ইয়াৰ লগে লগে সুদীৰ্ঘ ৫১ বছৰৰ অন্তত প্ৰথম দিনাই দ্বিতীয়বাৰৰ বাবে ভাৰতৰ হৈ স্পীন বলাৰে ১০টা উইকেট লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰে। ১৯৭৩ চনৰ পিছত ২০২৪ত দুবাৰ ঘটিল এনে ঘটনা। এই বছৰতে ইংলেণ্ডৰ বিৰুদ্ধে এই কৃতিত্ব লাভ কৰিছিল অশ্বিন, জাদেজা আৰু কুলদীপে। এইবাৰ সেয়া কৰি দেখুৱালে ৱাশ্বিংটন সুন্দৰ আৰু অশ্বিনে। টেষ্ট ক্ৰিকেটত নিউজিলেণ্ডৰ বিৰুদ্ধে এক ইনিংছত ভাৰতৰ হৈ শ্ৰেষ্ঠ বলিং ফিগাৰৰ তালিকাতো স্থান দখল কৰে ৱাশ্বিংটন সুন্দৰে। ৫৯ ৰানত ৭ উইকেট লৈ চতুৰ্থ স্থানত আছে সুন্দৰ। সাতগৰাকী বেটছমেনৰ ভিতৰত পাঁচজনকে ক্লিন ব'ল্ড কৰিছে ৱাশ্বিংটন সুন্দৰে। তালিকাত নাম আছে জছুভাই পেটেল, বাপু নাদকাৰ্নি, অনিল কুম্বলে, ৰবীন্দ্ৰ জাদেজা, ৱাশ্বিংটন সুন্দৰ। ২৩.১ অভাৰ বলিং কৰি ৪টা মেইডেনসহ ৫৯ ৰান দি ৭ উইকেট দখল কৰে ৱাশ্বিংটন সুন্দৰে। এয়া হৈছে তেওঁৰ টেষ্ট কেৰিয়াৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শন। দিনান্তত ভাৰতে ১ উইকেট হেৰুৱাই ১৬ ৰান সংগ্ৰহ কৰে। কাইলৈ দ্বিতীয় দিনা ক্ৰিজত নামিব অপৰাজিত হৈ থকা যশস্বী জয়ছোৱাল আৰু শুভমন গিলে। উল্লেখ্য যে চেন্নাইত অনুষ্ঠিত শৃংখলাটোৰ বৰ্ষা বিঘ্নিত প্ৰথমখন টেষ্টত জয়েৰে ১-০ৰ অগ্ৰগতি লাভ কৰি আছে কিৱি দলটোৱে।

# প্ৰথম টেষ্টত দক্ষিণ আফ্ৰিকাৰ হাতত ৭ উইকেটত পৰাস্ত বাংলাদেশ

**ঢাকা, ২৪ অক্টোবৰঃ** ঢাকাৰ মীৰপুৰত চলি থকা প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাৰ হাতত ৭ উইকেটত পৰাস্ত হয় বাংলাদেশ। এছিয়াৰ মাটিত প্ৰথমবাৰৰ বাবে ৫টা উইকেট দখল কৰে কাগিছ' ৰাবাডাই। আনহাতে আজিৰ এই জয়েৰে দক্ষিণ আফ্ৰিকাই ১০ বছৰৰ অন্তত এছিয়াৰ মাটিত টেষ্টত জয়ী হয়। বাংলাদেশে ২৮৩-৭ স্ক'ৰেৰে দিনটোৰ আৰম্ভণি কৰি মাত্ৰ ২৪ ৰান যোগ দিয়েই অলআউট হয়। প্ৰথম অভাৰত নৈম হোছেইনক আউট কৰি ৰাবাদাই ৫টা উইকেট সম্পূৰ্ণ কৰে। দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে প্ৰয়োজন আছিল ১০৬ ৰানৰ। বতৰৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে খৰধৰকৈ খেলিবলৈ লয়। এইদৰে খেলি ২২ অভাৰত ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয় দক্ষিণ আফ্ৰিকা। উল্লেখ্য যে প্ৰথম ইনিংছত দক্ষিণ আফ্ৰিকাই বাংলাদেশৰ ১০৬ ৰানৰ প্ৰত্যুত্তৰত ৩০৮ ৰান সংগ্ৰহ কৰিছিল। দ্বিতীয় ইনিংছত বাংলাদেশে ৩০৭ ৰান কৰে যদিও প্ৰথম ইনিংছৰ ব্যৰ্থতাৰ বাবে অতি সহজে হাৰ মানিবলৈ বাধ্য হৈ পৰে। দক্ষিণ আফ্ৰিকা দলটোৱে সুন্দৰ বলিঙেৰে প্ৰথম ইনিংছৰ লগতে দ্বিতীয় ইনিংছত বাংলাদেশী বেটাৰসকলক নিয়ন্ত্ৰণত ৰাখিবলৈ সমৰ্থ হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)